*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...*

Postal Redg. No. GH- 098/ 2015 - 17

*গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক*

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ২০ সংখ্যা, ৩১ বহাগ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

*RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 20 * Date Of Publication - 15 May 2022 Rs.10.00/-*

## আই ডব্লিউ টি ঘাটত গুৱাহাটীৰ গেটবে' ঘাট ফেৰী টাৰ্মিনেলৰ আধাৰশিলা স্থাপন



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ ফাঁচীবজাৰস্থিত আই ডব্লিউ টি ঘাটত গুৱাহাটীৰ গেটবে' ঘাট ফেৰী টাৰ্মিনেলৰ আধাৰশিলা স্থাপন কৰাৰ লগতে দুখন তীখাৰে নিৰ্মিত কেটামাৰান জাহাজৰো শুভ উদ্বোধন কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ঘোষণা কৰে যে- দেশৰ ভিতৰতে হ'ব লগা এই নদী টাৰ্মিনেলত সংলগ্ন কৰা হ'ব ২০ খন কেটামাৰন জাহাজ। গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত নিশা ১১ বজালৈ চলিব যাত্ৰীবাহী ফেৰীসেৱা। দেশৰ ভিতৰতে প্ৰথমটে সুবৃহৎ তথা অত্যাধুনিক নদী টাৰ্মিনেল নিৰ্মাণৰ লক্ষ্যৰে আধাৰশিলা স্থাপন কৰা অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ ভাষণত কয়- মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণৰ পাছৰে পৰা পৰিবহণ খণ্ডত উল্লেখনীয় পৰিবৰ্তন সাধন কৰাৰ লক্ষ্যৰে বিভাগটোত বিশেষ গুৰুত্ব প্ৰদান কৰি অহা হৈছে। ইয়াৰ আধাৰতে প্ৰায় ২৯০ কোটি টকা ব্যয়েৰে গুৱাহাটী গেটৱে' ঘাট ফেৰী টাৰ্মিনেল নিৰ্মাণৰ পদক্ষেপ লোৱা হৈছে। আগন্তুক ২৪ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলগীয়া এই টাৰ্মিনেলটোত গুৱাহাটী আৰু ইয়াৰ সমীপৱৰ্তী ঘাটসমূহ বছৰৰ সকলো সময়তে যাত্ৰীসকলৰ সুৰক্ষিত যাত্ৰা সুনিশ্চিত কৰা হ'ব।দেশৰ ভিতৰতে অত্যাধুনিকভাবে নিৰ্মাণ কৰিবলগীয়া টাৰ্মিনেলটোত থাকিব যাত্ৰীৰ বাবে সকলো সুবিধা। দোকান-পোহাৰৰ লগতে ৰেস্তোৰাঁ, কেন্টিন, কেফে, যাত্ৰীৰ জিৰণি কোঠা, যান-বাহন ৰাখিব পৰা ব্যৱস্থা

*( পাঁচ পৃষ্ঠাত চাওক)*

## ৮ শতাধিক কংগ্ৰেছ নেতা-কৰ্মীৰ বিজেপিত যোগদান



ৰঙিলী বাৰ্ত্তাসেৱা- কাৰ্বি পাহাৰৰ কেইবাশ নেতা-কৰ্মীয়ে কংগ্ৰেছ দল ত্যাগ কৰি শাসকীয় বিজেপি দলত যোগদান। বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাৰ উপস্থিতিত বিজেপিৰ কাৰ্যালয়ত যোগদান সভাত ৮ শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে যোগদান কৰে। ভৱেশ কলিতাই আগন্তুক পৰিষদৰ নিৰ্বাচনত কংগ্ৰেছ দলৰ লগতে আঞ্চলিক দলসমূহে সকলো আসনতে মুখথেকেচা খাব বুলি মন্তব্য কৰাৰ লগতে বিজেপিয়ে ২৬খন আসনতে বিজয়ী হ'ব বুলি দাবী কৰে। এই যোগদান সভাত এসময়ৰ জনপ্ৰিয় চি পি আই এম এলৰ নেতা ডাঃ জয়ন্ত ৰংপিৰ পুত্ৰ ডাঃ মংৰে ৰংপিয়ে কংগ্ৰেছ দল ত্যাগ কৰি বিজেপিত যোগদান কৰে। ডাঃ মংৰে ৰংপিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কাৰ্বি স্বায়ত্ত পৰিষদৰ চি ই এম তুলিৰাম ৰংহাঙৰ সবল নেতৃত্বৰ প্ৰতি আকৃষ্ট হৈ বিজেপিত যোগদান কৰা বুলি জানিবলৈ দিয়ে। ইয়াৰ উপৰি ডি এইচ ডিৰ মুখ্য সেনাধ্যক্ষ প্ৰণৱ নুনিচাই বিজেপিত যোগদান কৰে।

## শিলসাঁকো বিলত জিলা প্ৰশাসনৰ উচ্ছেদ অভিযান



ৰঙিলী বাৰ্ত্তাসেৱা- শিলসাঁকো বিলত জিলা প্ৰশাসনে চলালে উচ্ছেদ অভিযান। এই উচ্ছেদ অভিযানত শতাধিক পৰিয়ালৰ মাজত সৃষ্টি হ'ল হাহাকাৰ পৰিস্থিতি। দিছপুৰ ৰাজহ চক্ৰ বিষয়াই দীৰ্ঘসময়ৰ পৰাই শিলসাঁকো বিলৰ মুঠ ১, ৮০০ বিঘা ভূমি বেদখল হৈ থকাটো চিহ্নিত কৰিছিল। জিলা উপায়ুক্ত পৰ্যায়ৰ এই বেদখলৰ চৰজমিন তদন্তৰ পাছতে বৰষুণৰ মাজতেই শিলসাঁকো বিলত প্ৰশাসনে ২০ খনতকৈও অধিক বুলড জাৰেৰে চলালে উচ্ছেদ। প্ৰশাসনৰ এই অভিযানত তচনচ হ'ল শতাধিক বাসগৃহ। প্ৰশাসনৰ উচ্ছেদ অভিযানৰ পৰা সাৰি নগ'ল জুপুৰিৰ পৰা সুদৃশ্য কংক্ৰীটৰ পকী ঘৰ পৰ্যন্ত। আনকি আৰক্ষী কনিষ্টবল, সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়াৰ ঘৰো এই উচ্ছেদ অভিযানৰ পৰা সাৰি নগ'ল। উচ্ছেদ চলাবলৈ অহা সতীৰ্থক বাধা দি লাঞ্ছিত হ'ব লগা হ'ল আৰক্ষী কনিষ্টবল বলেন কলিতা। জিলা প্ৰশাসনৰ তথ্য অনুসৰি ৭০ বিঘা ভূমিত উচ্ছেদ অভিযান চলোৱা হয়। উল্লেখ্য যে ২০০৪ চনত কংগ্ৰেছ চৰকাৰৰ আমোলত শিলসাঁকো বিলত ৮৯ বিঘা ভূমিত পট্টা দিয়া হৈছিল। শিলসাঁকো বিলৰ কোনো সীমা নিৰ্ধাৰণ নকৰাৰ ফলত প্ৰকৃতে বিলখনৰ ভূমি ক'ৰ পৰা আৰম্ভ হৈছে, সেয়া চিনাক্ত নোহোৱা বাবে বিগত ২০ বছৰত একাংশ ভূমি মাফিয়া তথা দালালে লাখ লাখ টকাৰ বিনিময়ত বিক্ৰী কৰিছিল শিলসাঁকোৰ মাটি। আনকি ম্যাদী পট্টাৰ বাবেও একাংশ পৰিয়ালে আবেদন দাখিল কৰিছিল ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত। এই ৭০ বিঘা ভূমিত গঢ়ি উঠা আৱাসী অঞ্চলত বিগত সময়ছোৱাত গুৱাহাটী পৌৰ নিগমে হল্ডিং নম্বৰ দিয়াৰ লগতে বিদ্যুৎ সংযোগ আৰু নলাও নিৰ্মাণ কৰিছিল। কিন্তু হঠাতে প্ৰশাসনে কোনো জাননী নিদিয়াকৈ চলোৱা এই উচ্ছেদত দিশহাৰা হৈ পৰিল পৰিয়ালসমূহ। জি এম ডি এৰ

*( পাঁচ পৃষ্ঠাত চাওক)*

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ সৰ্ববৃহৎ নিযুক্তি



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰায় ২৩ হাজাৰ যুৱক-যুৱতীৰ হাতত তুলি দিলে বিভিন্ন বিভাগৰ অধীনত চৰকাৰী নিযুক্তি পত্ৰ। পুৱা ১১.৩০ বজাৰ পৰা অনুষ্ঠিত অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে অন্যান্য বিভাগীয় মন্ত্ৰীয়ে প্ৰায় ২৩ হাজাৰ যুৱক-যুৱতীক হাতত দিলে চৰকাৰী নিযুক্তি পত্ৰ। ২২, ৯৫৮টা পদত চৰকাৰী নিযুক্তি লাভ কৰিলে নিবনুৱাই।আজি অসম চৰকাৰৰ মেগা নিযুক্তি পত্ৰ বিতৰণ অনুষ্ঠানত গৃহ বিভাগত ৮, ৮৬৭ , প্ৰাথমিক শিক্ষা বিভাগত ৭,৪২২টা, মাধ্যমিক শিক্ষা বিভাগত ৩,৫১৭টা, উচ্চ শিক্ষা বিভাগত ১২৪টা, জনস্বাস্থ্য কাৰিকৰী বিভাগত ৩৩০টা, জলসম্পদ বিভাগত ১০৫টা, সমাজ কল্যাণ বিভাগত ৬৯টা, স্বাস্থ্য বিভাগত ২, ৪১৯টা, কৃষি বিভাগত ৫৫ টা, পৰিৱেশ আৰু বন বিভাগত ২৩টা, লোক নিৰ্মাণ বিভাগত ৮ টা, খনি আৰু খনিজ পদাৰ্থ বিভাগত ২টা, শ্ৰমিক কল্যাণ বিভাগত ১৭ টা পদৰ বাবে নিযুক্তি পত্ৰ প্ৰদান কৰা হয়।

# কলাক্ষেত্ৰত নৃগাষ্ঠৌীয় সাংস্কৃতিক সমন্বয়- বিনিময় অভিযানৰ কৰ্মশালা আৰম্ভ

ৰঙিলী বাৰ্ত্তাসেৱা- নৃগাষ্ঠৌীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযানৰ প্ৰথম পৰ্যায়ৰ তৃতীয় কৰ্মশালাখনি ১৩ মে'ৰ পৰা আৰম্ভ হ'ব। ১১ মে'ত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰশিক্ষাৰ্থীসকল আহি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাকৰিত উপস্থিত হয়। তৃতীয় কৰ্মশালাত ভাগ ল'বৰ বাবে ডিমাচা, কোঁচৰাজবংশী, কাৰ্বি আৰু সাণোৱোল কছাৰীৰ প্ৰশিক্ষাৰ্থীসকলক নিৰ্বাচন কৰি অনা হৈছে। অসমৰ বিভিন্ন জনগাষ্ঠৌীৰ মাজত সমন্বয়ৰ সাঁকো নিৰ্মাণ কৰি বৰ অসম গঢ়াৰ মানসেৰে আৰম্ভ হোৱা এই কৰ্মশালাত প্ৰতিটো জনগাষ্ঠৌীয়েই অলেখ আশা আৰু উৎকণ্ঠাৰে সহযাগে কৰে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সমূহ প্ৰশিক্ষাৰ্থীক শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে স্বাগতম জনাৱোৰ উদ্দেশ্যে এখনি সভা কলাক্ষেত্ৰৰ ডং বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত ১১ মে'ত অনুষ্ঠিত কৰা হয়। উক্ত সভাত অসমৰ নৃগাষ্ঠৌীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযানৰ প্ৰজেক্ট মেনেজাৰ জয়ন্তী চক্ৰৱৰ্তীয়ে প্ৰতিটো জনগাষ্ঠৌীৰ অংশগ্ৰহণকাৰীসকলৰ মাজত চিনাকি কৰাই দিয়াৰ লগতে উপস্থিত থকা সমূহ প্ৰশিক্ষাৰ্থীকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে আৰু কৰ্মশালাৰ দিনকেইটিত প্ৰতিটো জনগাষ্ঠৌীয়ে উভয়ৰে ভাষা-সংস্কৃতিৰ বিষয়ে সুক্ষ্মভাৱে অধ্যয়ন কৰি ল'বলৈ কয়। সভাত প্ৰণিত নাইদিং (ডিমাচা), পতিৰাম ৰয় (কোঁচৰাজবংশী), নিৰু সাণোৱোল।

# গুগল অনুবাদত সংযোজিত হ'ল অসমীয়া ভাষা

ৰঙিলী বাৰ্ত্তাসেৱা- অসমবাসীৰ বাবে এক ভাল লগা খবৰ ।অৱশেষত আহিল ভাল খবৰটো। অসমীয়া ভাষাই পালে গুগলৰ স্বীকৃতি। গুগল অনুবাদত সংযোজিত হ'ল অসমীয়া ভাষা। অসমীয়া ভাষাকে ধৰি ৭টা অন্য ভাৰতীয় ভাষাক গুগল অনুবাদত সংযোজিত কৰা হৈছে। এতিয়াৰে পৰা ইংৰাজী বা অন্য যিকোনো ভাষাক আপুনি অসমীয়া ভাষালৈ অনুবাদ কৰিব পাৰিব। গুগল অনুবাদলৈ সংযোজিত হোৱা ভাষাসমূহ হৈছে সংস্কৃত, অসমীয়া, ভোজপুৰী, ডগ্ৰী, কোংকানী, মৈথেলী, মিজো আৰু মইতেই। উল্লেখযোগ্য যে, গুগল ট্ৰান্সলেট ৱেব ব্ৰাউজাৰৰ পৰা ব্যৱহাৰ



কৰিব পাৰি বা এজন ব্যৱহাৰকাৰীয়ে গুগল প্লে ষ্টোৰৰ পৰা এপ্পটো ইনষ্টল কৰিব পাৰে। ব্যৱহাৰকাৰীয়ে তেওঁ টাইপ কৰি থকা ভাষা আৰু তেওঁলোকে অনুবাদ বিচৰা আকাংক্ষিত ভাষা বাছনি কৰিব লাগিব।

# পুনৰ আলফা (স্বাধীন)ক ক্ষুৰধাৰ সমালোচনা প্ৰবীণ সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ আলফা (স্বাধীন)ক ক্ষুৰধাৰ সমালোচনা প্ৰবীণ সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ ।আলফা স্বাধীনক লৈ বিস্ফোৰক মন্তব্য ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ। সাংবাদিকৰ ওচৰত বিশিষ্ট সাংবাদিক গৰাকীয়ে কয় যে, "আলফা অসমৰ কাৰণে বিভীষিকা, আপদ। পৰেশ বৰুৱাই যদি পথৰ সংস্কাৰ নকৰে তেতিয়া অসমৰ বুৰঞ্জীত এক কলংকিত নায়ক হিচাপে চিৰদিনৰ বাবে দেশদ্ৰুহী তালিকাত থাকিব। পৰেশ বৰুৱাই সৃষ্টিৰ নামত একো কৰা নাই। আলফাই প্ৰতিষ্ঠা কালৰে পৰা অসমত কলপুলি এটাও ৰোৱা নাই। আলফাই শিয়ালৰ দৰে জংঘলৰ পৰা কেৱল চিঞৰিব পাৰে। যিবিলাক ল'ৰা আলফালৈ গৈছে তেওঁলোকৰ পিতৃ-মাতৃ আৰু কাষৰীয়া সমাজখনৰ শিক্ষাৰ অভাৱ। ইয়াৰ বাবে তেওঁলোক দায়ী। যিসকল ল'ৰা আলফালৈ গৈছে তেওঁলোকৰ পিতৃ-মাতৃ অশিক্ষিত। পৰেশ বৰুৱাৰ মৃত্যুদণ্ড দিয়াৰ অধিকাৰ নাই ।পৰেশ বৰুৱাকো মই মৃত্যুদণ্ড দিম বুলি আজি ঘোষণা কৰিলোঁ'।" উল্লেখযোগ্য যে, বিগত সময়চোৱাত প্ৰবীণ সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীয়ে আলফা স্বাধীন আৰু সেনাধ্যক্ষ পৰেশ বৰুৱাক ক্ষুৰধাৰ সমালোচনা কৰি আহিছে।

# নতুনকৈ মুকলি কৰে 'এবাকাছ ব্ৰিউয়িং কো আৰু কিচ্চেন'



ৰঙিলী বাৰ্ত্তাসেৱা- এবাকাছ ব্ৰিউয়িং কিচেন এণ্ড কোম্পানী হৈছে গুৱাহাটীৰ খানাপাৰাৰ হোটেল পেলেচিয়ত নতুকৈ মুকলি কৰা মাইক্ৰ'ব্ৰুৱেৰী। এবাকাছত গৌৰৱেৰে যিকোনো সোৱাদৰ সৈতে খাপ খোৱাকৈ তৈয়াৰ কৰা বিভিন্ন ধৰণৰ সূক্ষ্ম, আন্তৰ্জাতিক হস্তনিৰ্মিত বিয়েৰ পৰিৱেশন কৰিব পাৰিব। এলেচ আৰু লেগাৰৰ নিপুন শৈলীৰে তৈয়াৰ কৰা এই বিয়েৰ হৈছে পৰিষ্কাৰ আৰু স্বাদ অনুভূতি যুক্ত। আনহাতে এবাকাছে গুৱাহাটীলৈ উত্তৰ পূৰ্বৰ প্ৰথম আন্তৰ্জাতিক বাৰ্গাৰ আৰু ক্ৰাফট বিয়েৰ ফেষ্ট, বাৰ্গাৰ এন্দ ব্ৰু লৈ আনিছে। ১৩ মে'ৰ পৰা ৩১ মে'লৈ চলিব। বিভিন্ন গোলকীয় ফ্লেভাৰৰ পৰাহ অনুপ্ৰাণিত হৈ প্ৰস্তুত কৰা বিভিন্ন ধৰণৰ সুন্দৰ ক্লাছিক আৰু অভিনৱ বাৰ্গাৰ কোনোৱে উপভোগ কৰিব পাৰে আৰু লগতে নতুনকৈ প্ৰস্তুত কৰা ক্ৰাফট বিয়েৰ উপভোগ কৰিব পাৰে।

# গুৱাহাটীত পেট্ৰ'ল পাম্প বন্ধ ঘোষণা




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীত পেট্ৰ'ল পাম্প বন্ধ ঘোষণা। তেল কোম্পানীবোৰে প্ৰাপ্য আদায় নিদিয়াৰ প্ৰতিবাদত ১৩ মে'ৰ পুৱা ৫ বজাৰ পৰা ১৪ মে'ৰ পুৱা ৫ বজালৈ গুৱাহাটীৰ পেট্ৰ'ল পাম্পসমূহ বন্ধ কৰি দিব ।নৰ্থ ইষ্ট ইণ্ডিয়া পেট্ৰ'লিয়াম ডিলাৰ এছ'চিয়েশ্যনে অভিযোগ কৰিছে যে, তেল কোম্পানীবোৰে কিছুমান অবৈধ বাণিজ্য পদ্ধতিৰ আশ্ৰয় লৈ আছে যিবোৰ নিৰ্ধাৰিত নিয়মৰ বিৰোধী। যদি তেল কোম্পানীবোৰে ১৫ মে'ৰ ভিতৰত সঁহাৰি দিয়াত আৰু তেওঁলোকৰ দাবী পূৰণ কৰাত বিফল হয়, তেন্তে এছ'চিয়েশ্যনে ১৬ মে'ৰ পুৱা ৫ বজাৰ পৰা পেট্ৰ'ল পাম্পসমূহ অনিৰ্দিষ্টকালৰ বাবে বন্ধ কৰি দিব।

# নীলাচল জাতীয় বিদ্যালয়ত ৰবীন্দ্ৰ জয়ন্তী উদ্‌যাপন

ৰঙিলী বাৰ্ত্তাসেৱা- নীলাচল জাতীয় বিদ্যালয়ৰ উদ্যোগত বিদ্যালয়ৰ প্ৰাংগণত সোমবাৰে ৰবীন্দ্ৰ জয়ন্তী উদ্‌যাপন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী ভায়োলিনা দাসে বিদ্যালয়লৈ আগবঢ়োৱা নিজে অঁকা ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বালন কৰে বিদ্যালয়ৰ অধ্যক্ষ ৰাজীৱ কলিতাই। ইয়াৰ লগতে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীয়ে কবিগুৰু জনাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। বিদ্যালয়ৰ শিক্ষয়িত্ৰী অনামিকা কলিতাই ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱন পৰিক্ৰমাৰ ওপৰত চমু ভাষণ আগবঢ়ায় ।অনুষ্ঠানৰ শেষত বিদ্যালয়ৰ অধ্যক্ষ ৰাজীৱ কলিতাই ৰবীন্দ্ৰনাথ ঠাকুৰৰ দৰে এগৰাকী বিশ্ব



প্ৰসিদ্ধ দাৰ্শনিক কবি, গল্পকাৰ, গীতিকাৰ সুৰকাৰ নৱপ্ৰজন্মৰ আদৰ্শ হোৱা উচিত বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। লগতে কবিগৰাকীৰ অসমৰ সৈতে থকা সুসম্পৰ্ক কথা উল্লেখ কৰি এয়া আমাৰ বাবে গৌৰৱৰ কথা বুলি কয়। বিদ্যালয়ৰ শিক্ষক জ্যোতিপ্ৰসাদ ডেকাই আঁত ধৰা অনুষ্ঠানটি অধ্যক্ষৰ ভাষণৰ সামৰণিৰ পাছতেই অনুষ্ঠানৰ সামৰণি পেলোৱা হয়।

# কোৱাৰ্টাৰ ফাইনেলত পৰাজয় লাভলীনা বৰগোঁহাইৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ২০২১ চনৰ টকিঅ' অলিম্পিক গেমছৰ ব্ৰঞ্জৰ পদক বিজয়ী লাভলীনা বৰগোঁহাই তুৰস্কৰ ইষ্টানবুলত চলি থকা IBA বিশ্ব মহিলা বক্সিঙৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈছে। IBA স্বীকৃতি প্ৰাপ্ত Fair Chance Team (FCT) ৰ খেলুৱৈ কিনডি নাগামবা ডিজেনকেউৰ হাতত ৪-১ পইন্টত পৰাস্ত হয় লাভলীনা বৰগোঁহাই। উল্লেখ্য যে, লাভলীনা বৰগোঁহাই পৰাস্ত হৈছে যদিও এতিয়াও IBA বিশ্ব মহিলা বক্সিং চেম্পিয়নশ্বিপত বৰ্তী আছে অসমৰ আন গৰাকী সফল মহিলা বক্সাৰ অংকুশিতা বড়ো।

# কল বিক্ৰী কৰা পিতৃৰ গৌৰৱ

ৰঙিলী বাৰ্ত্তাসেৱা- সন্তানৰ সফলতাত গৌৰৱী পিতৃ। মিৰ্জাৰ সমীপৰ বৰকুছি চকৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত কল বিক্ৰী কৰা এগৰাকী লোকে ছচিয়েল মিডিয়াত ব্যাপক চৰ্চা লাভ কৰিছে। পথৰ কাষত কলৰ দোকান দি পৰিয়াল পোহপাল দিয়া লোকজনে ধন্যবাদ জনালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। লোকজনৰ পুত্ৰৰ পুলিচত চাকৰি হৈছে। বৃহস্পতিবাৰে ঘোষণা কৰা অসম আৰক্ষীৰ কনিষ্টবল পদৰ লিখিত পৰীক্ষাৰ ফলাফলত পুত্ৰ উত্তীৰ্ণ হয়। পুত্ৰৰ সফলতাত পিতৃয়ে গ্ৰাহকক যাচিলে এগিলাচকৈ চৰবত। ছচিয়েল মিডিয়াত ভাৰমাৰ মজুমদাৰ নামৰ এগৰাকী লোকে



ছচিয়েল মিডিয়াত লিখিছে- “মিৰ্জাৰ সমীপৰ বৰকুছি চকৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে কল বিক্ৰী কৰি থকা মানুহ জনৰ পৰা কল কিনিবলৈ গৈ দাম সুধিলো। তেওঁ ক'লে মালভোগ ৭০ টকা চেনী ৪০ টকা।মালভোগ ল'লো। তেওঁ খুব আগ্ৰহেৰে কাপোৰৰ মোনাৰ পৰা এটা মিৰিণ্ডাৰ বটল এটা উলিয়াই এগিলাচ খাবলৈ ক'লে। মই ক'লো মোৰ চুগাৰ আছে নাখাও দিয়ক ধন্যবাদ। তেওঁ ক'লে অলপ খালে ভাল লাগিলহেতেন মোৰ ল'ৰাই আজি পুলিচত চাকৰি পাইছে। ময়ো লগে লগে গিলাচটো শেষ কৰি দিলো। খুৱাৰ হাঁহিভৰা মুখখন দেখি মোৰো মন আনন্দৰে ভৰি পৰিল। খুৱাক শুভেচ্ছা জ্ঞাপন কৰি গাড়ী অভিমুখে খোজ দিলো। কাষত ৰৈ থকা মানুহ এজনে কলৰ দোকানজনক কোৱা কথা এযাৰ ভাহি আহিল। এনেকুৱা চৰকাৰ থাকিলে আমাৰ দৰে দুখীয়া মানুহৰ নিশ্চয় উপকাৰ হ'ব।”

# আম আদমি পাৰ্টীৰ সংবাদ মেল

ৰঙিলী বাৰ্ত্তাসেৱা- কাছাৰৰ ডলু অঞ্চলৰ লালবাগ চাহ বাগিচাত প্ৰশাসনে চলোৱা উচ্ছেদ অভিযানত আম আদমি পাৰ্টীয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। গুৱাহাটীস্থিত আপৰ ৰাজ্যিক কাৰ্যালয়ত আয়োজিত এক সংবাদ মেলত ৰাজ্যিক যুটীয়া সমন্বয়ক ৰাজীৱ শইকীয়াই কয়-যিকোনো উচ্ছেদ অমানৱীয় হ'ব নালাগে, নীতি বৰ্হিভূতভাৱে উচ্ছেদ হ'ব লাগে। চাহ বাগিচা কৰ্তৃপক্ষ আৰু চৰকাৰৰ মাজত হোৱা বুজাবুজি চুক্তিৰ প্ৰতিটো দফা কাৰ্যকৰী নকৰালৈকে এই উচ্ছেদ কাৰ্য স্থগিত ৰাখিব লাগে। অঞ্চলটোত নিৰ্মাণ হ'বলগীয়া বিমান বন্দৰৰ বাবে চৰকাৰে ভূমি অধিগ্ৰহণ কৰি আছে।বছৰ বছৰ ধৰি চাহ বাগিচাতে কৰ্ম সংস্থাপন পাই থকা শ শ শ্ৰমিকক একে নিশাতে সংস্থাপনহীন কৰা কাৰ্য অমানৱীয়েই নহয়, ই আইন বিৰুদ্ধও। যোৱা তিনিদিন ধৰি চৰকাৰে উচ্ছেদ অভিযান চলাই আছে যদিও শ্ৰমিকসকল চৰকাৰৰ প্ৰতিশ্ৰুতিত আস্বস্ত হ'ব পৰা নাই। শ্ৰমিকসকলে নিজৰ কৰ্ম সংস্থাপন হেৰুৱাই কিংকৰ্তব্য বিমূঢ় হৈ দায়িত্বৰত আৰক্ষীৰ ভৰিত পৰি তেওঁলোকৰ পেটৰ ভাত মুঠি কাঢ়ি নিনিবলৈ কৰা অনুৰোধৰ দৃশ্য হৃদয় বিদাৰক। আপে কেতিয়াও বিমান বন্দৰ নিৰ্মাণৰ বিৰোধিতা কৰা নাই। কিন্তু শ্ৰমিকসকলৰ পুনৰ সংস্থাপন নকৰাকৈ চৰকাৰে



উচ্ছেদ অভিযান চলোৱা কাৰ্যক তেওঁ তীব্ৰ ভাষাৰে নিন্দা কৰে। ইফালে শিলচৰৰ সাংসদ ৰাজদীপ ৰয়ে শ্ৰমিকসকলক মাওবাদী বুলি অভিহিত কৰা কাৰ্যক আপে গৰিহণা দিয়ে। সংবাদ মেলত কামৰূপ জিলাৰ সমন্বয়ক আব্দুল মজিদ, ক্ষেত্ৰীয় সাংগঠনিক সম্পাদক মানস শৰ্মা উপস্থিত থাকে।

# ৰিক্সা চালকক লাঠিৰে প্ৰহাৰ কৰা আৰক্ষী আমাক নালাগেঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

ৰঙিলী বাৰ্ত্তাসেৱা- অসম আৰক্ষীৰ ১৫০ বছৰীয়া ইতিহাসত গৌৰৱময় দিন। গৃহমন্ত্ৰীয়ে অমিত শ্বাহে অসম আৰক্ষীক প্ৰদান কৰিলে ৰাষ্ট্ৰপতি নিচান। গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত এই সন্মান প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ভাষণ প্ৰদান কৰি কয়, যে, “জনসাধাৰণৰ প্ৰতি আৰক্ষীয়ে আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ স্বীকৃতি ৰাষ্ট্ৰপতিৰ নিচান। দৰিদ্ৰ আৰু মধ্যবিত্তই যাতে আৰক্ষীক বন্ধু হিচাপে গণ্য কৰিব পাৰে। ৰিক্সা চালকক লাঠিৰে প্ৰহাৰ কৰা আৰক্ষী আমাক নালাগে। মা, ভনীসকলে যাতে ৰাতিও নিৰাপদে ঘূৰিব পাৰে তেনে আৰক্ষী লাগে। এনেকুৱা আৰক্ষী লাগে যাতে সকলোৰে হৃদয় স্পৰ্শ কৰিব পাৰে।”আনহাতে চচিয়েল মিডিয়াতো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেইখানো ফটো শ্বেয়াৰ কৰি কয় যে, ১৫০ বছৰীয়া ইতিহাসৰ সাক্ষী অসম আৰক্ষীৰ নিষ্ঠা আৰু অদম্য সাহসৰ স্বীকৃতিস্বৰূপে সন্মানীয় ‘ৰাষ্ট্ৰপতিৰ নিচান’ অৰ্জন কৰা বাবে অসম আৰক্ষীক আন্তৰিক অভিনন্দন জনাইছোঁ।এয়া হৈছে ১৫০ বছৰীয়া ইতিহাসৰ সাক্ষী অসম আৰক্ষীৰ নিষ্ঠা আৰু অদম্য সাহসৰ স্বীকৃতি।অসম আৰক্ষীক এই সন্মান প্ৰদান কৰাৰ বাবে গৃহমন্ত্ৰী শ্ৰীঅমিত শ্বাহলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী শ্ৰীঅমিত শ্বাহৰ দূৰদৰ্শী নেতৃত্বত অসমে শান্তি আৰু উন্নয়নৰ পথত এক নতুন গতি লাভ কৰিছে।এই ছেগতে জীৱন সুৰক্ষিত কৰি শান্তি বজাই ৰখাৰ স্বাৰ্থত কৰ্তব্যৰত অৱস্থাত প্ৰাণ আহুতি দিয়া সকলো আৰক্ষীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। মাতৃভূমিৰ স্বাৰ্থত সৰ্বোচ্চত্যাগ কৰা আমাৰ আৰক্ষী বাহিনীৰ অকুণ্ঠ প্ৰচেষ্টা অবিহনে এই ঐতিহাসিক কৃতিত্ব সম্ভৱ নহ'লহেঁতেন। তেওঁলোকৰ গভীৰ সাহস আৰু



কৰ্তব্যনিষ্ঠাই অসম আৰক্ষীক এই সুখ্যাতি অৰ্জন কৰা অসমক দশম ৰাজ্য হিচাপে চিনাকি দিবলৈ সক্ষম হৈছে। আমাৰ চৰকাৰে অসম আৰক্ষীক অধিক শক্তিশালী কৰাৰ দিশত সকলো পদক্ষেপ গ্ৰহণ কৰি আহিছে। প্ৰতিগৰাকী আৰক্ষীৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক স্বাস্থ্য সবল কৰি ৰখাটো আমাৰ প্ৰাথমিক কৰ্তব্য। ‘জনহিত জনসেৱাৰ্থে’ মূলমন্ত্ৰৰ দ্বাৰা অসম আৰক্ষীয়ে আমাৰ নাগৰিকসকলৰ স্বাৰ্থ ৰক্ষাৰ দিশত মন প্ৰাণ সঁপি দিব বুলি মই দৃঢ় বিশ্বাসী।

# গুণোৎসৱৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰীৰ কেইবাটাও ডাঙৰ ঘোষণা



ৰঙিলী বাৰ্ত্তাসেৱা- ছিপাঝাৰত গুণোৎসৱৰ শুভাৰম্ভণি কৰিলে মুখ্যমন্ত্ৰীয়ে। ঘোঁৰাবান্ধা জুনিয়ৰ বেছিক স্কুলত গুণোৎসৱত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ। মুখ্যমন্ত্ৰীক কাষত পাই উৎফুল্লিত ছাত্ৰ-ছাত্ৰী। গুণোৎসৱৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কেইবাটাও ডাঙৰ ঘোষণা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে, “অহা ৪ বছৰত বিদ্যালয়সমূহৰ সমস্যা কমি আহিব। হাইব্ৰীড পৰ্যায়লৈ নিয়া হ'ব ৰাজ্যৰ শিক্ষা ব্যৱস্থা।অসমৰ চৰকাৰী বিদ্যালয়ত প্ৰযোজ্য হ'ব ‘হাইব্ৰীড মডেল’। অসমীয়াৰ লগতে ইংৰাজী মাধ্যমতো হ'ব পাঠদান। দুটা বিষয় ইংৰাজীত শিকোৱা হ'ব।গণিত বিষয়টো ইংৰাজী মাধ্যমত প্ৰবৰ্তনৰ চেষ্টা কৰা হ'ব। মাতৃভাষাৰ লগে লগে ইংৰাজী মাধ্যমৰ প্ৰয়োজন আছে।অসমীয়াত শিক্ষাৰ সীমা কেৱল শদিয়াৰ পৰা ধুবুৰীলৈ। হিন্দী আৰু ইংৰাজী দুয়োটা মাধ্যমেই প্ৰয়োজন আছে।”

# জাতীয় শিক্ষানীতিৰ বিৰুদ্ধে দিল্লীত ধৰ্ণা এআইএছইচিৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অল ইণ্ডিয়া ছেভ এডুকেচন কমিটীৰ উদ্যোগত আজি দিল্লীৰ যন্তৰ মন্তৰত ‘জাতীয় শিক্ষা নীতি’ ২০২০ৰ বিৰুদ্ধে সৰ্বভাৰতীয় পৰ্যায়ৰ এক প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী সাব্যস্ত কৰা হয়। দেশৰ বিভিন্ন ৰাজ্যৰ পৰা অহা তিনি শতাধিক বুদ্ধিজীৱী, শিক্ষাবিদ, শিক্ষক তথা ছাত্ৰ প্ৰতিনিধি এই প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অসমৰ পৰা ৩০ জন প্ৰতিনিধি এই ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰে।বিজেপি পৰিচালিত কেন্দ্ৰীয় চৰকাৰৰ প্ৰশাসনে গণতান্ত্ৰিক আন্দোলনৰ অধিকাৰ খৰ্ব কৰি যন্তৰ মন্তৰৰ ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণকাৰীৰ সংখ্যা নিৰ্ধাৰিত কৰি দিছিল।সমাৱেশত দেশৰ ভালে সংখ্যক স্বনামধন্য শিক্ষাবিদ, বুদ্ধিজীৱী অংশগ্ৰহণ কৰে আৰু ‘জাতীয় শিক্ষা নীতি’ ২০২০ৰ বিৰুদ্ধে তেওঁলোকৰ অৱস্থান ব্যক্ত কৰি, এই শিক্ষা নীতিৰ বিভিন্ন সৰ্বনশীয়া দিশৰ বিশ্লেষণ দাঙি ধৰে আৰু এই শিক্ষা নীতি বাতিলত চৰকাৰক বাধ্য কৰাৰ পৰিপূৰক শক্তিশালী শিক্ষা আন্দোলন গঢ়ি তোলাৰ বাবে আগবাঢ়ি আহিবলৈ দেশৰ সকলো অংশৰ শুভবুদ্ধিসম্পন্ন মানুহৰ প্ৰতি আহ্বান জনায়। অল ইণ্ডিয়া ছেভ এডুকেচন কমিটীৰ সম্পাদক মণ্ডলীৰ সদস্য অধ্যাপক তৰুণ মণ্ডল, অধ্যাপক হোচিমিন থিলাগাৰ আৰু অধ্যাপক সাৰদা দীক্ষিতৰ পৰিচালনাত অনুষ্ঠিত এই ধৰ্ণা কাৰ্যসূচীত উদ্বোধনী বক্তব্য ৰাখে অল ইণ্ডিয়া ছেভ এডুকেচন কমিটীৰ সাধাৰণ সম্পাদক অধ্যাপক ড° আনীশ ৰায়ে। ইয়াৰ পাছত বিভিন্ন ৰাজ্যৰ পক্ষে ছেভ এডুকেচন কমিটীৰ পক্ষৰ পৰা এজনকৈ প্ৰতিনিধিয়ে বক্তব্য দাঙি ধৰাৰ লগতে বিশিষ্ট শিক্ষাবিদ-বুদ্ধিজীৱি সকলৰ পক্ষৰ পৰা বক্তব্য ৰাখে দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সচ্চিদানন্দ সিনহা, খ্যাতনামা ভূতত্ববিদ, কলকাতা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° ধ্ৰুৱজ্যোতি মুখাৰ্জী, বিশিষ্ট শিক্ষাবিদ, প্ৰাক্তন অধ্যাপক ড° মিৰাতুন্নাহাৰ, খ্যাতনামা সাংবাদিক আৰু মানৱাধিকাৰ কৰ্মী জন দয়াল সহ বিভিন্ন বক্তাই। অসম পক্ষে এই ধৰ্ণা কাৰ্যসূচীত বক্তব্য ৰাখে অল ইণ্ডিয়া ছেভ এডুকেচন কমিটীৰ অসম ৰাজ্যিক কমিটীৰ সম্পাদক অধ্যাপক প্ৰদীপ মহাপাত্ৰই।

# মাতৃ দিৱস আয়োজনৰ প্ৰয়োজনীয়তা আছেনে .....

মানসী মিশ্ৰ



ভূমিষ্ঠ হোৱাৰ পিছতেই পৃথিৱীত প্ৰতিটো শিশুৱে যিখিনি নিৰাপদ ঠাই বিচাৰি পায় সেয়া মাতৃৰ কোলা। ওপজাৰ পিছত শিশুটিয়ে প্ৰথম মাত ফুটোতেই উচ্চাৰণ কৰা শব্দটোৱে ‘মা’। বহু উজাগৰী নিশা পাৰ কৰে মাতৃগৰাতীয়ে সন্তানটিক লালন পালন কৰোঁতে। গৰ্ভত ধাৰণ কৰা দিনটোৰ পৰা মাতৃগৰাকী পৃথিৱীত জীয়াই থকালৈকে সন্তানটিক মৰম আপডালৰ মাজত জীয়াই ৰাখিব বিচাৰে। এনেস্থলত মাতৃগৰাকী প্ৰতিগৰাকী সন্তানৰ মনত কেৱল অভিভাৱকেই নহয় দেৱীসদৃশ। একেদৰেই সন্তানেও যিমানেই জনা বুজা নহওঁক মাতৃগৰাকী তেওঁৰ জীৱনত প্ৰচ্ছায়াৰ দৰে থকাটো বিচাৰে।

মাতৃ আৰু সন্তানৰ মাজত আবেগিক সম্পৰ্ক ইমান গভীৰ হোৱাৰ পিছত এগৰাকী মাতৃক মনত পেলাবলৈ সুকীয়াকৈ মাতৃদিৱসৰ প্ৰয়োজন আছেনে। সন্তানৰ বাবে প্ৰতিটো দিনেই মাতৃ দিৱস হোৱা উচিত। আমাৰ সমাজ খনত মাজে মাজে দুই চাৰিটা বিক্ষিপ্ত ঘটনা ঘটে যিসমূহে প্ৰতিগৰাকী মাতৃৰ মৰ্য্যাদাত কুঠাৰাঘাট কৰে। মাতৃগৰাকী যেতিয়া সন্তানৰ অৱহেলাত ফুটপাথৰ আলহী হ’ব লগা হয়, যেতিয়া পুত্ৰই মদ্যপান কৰিবলৈ মাতৃক ধন দাবী কৰি সেই ধন দিবলৈ মাতৃগৰাকী অসমৰ্থ হোৱাত তেওঁক হত্যা কৰা হয় এনেবোৰ ঘটনাই মাতৃৰ প্ৰতি থকা চৰম অৱহেলাকে সূচায়।

কেতিয়াবা মনলৈ ভাব আহে অশেষ ত্যাগ আৰু ধৈৰ্য্যৰ মাজেদি বিভিন্ন ঘাট প্ৰতিঘাট, প্ৰত্যাহবান নেওচি ডাঙৰ কৰা সন্তানসকলৰ মনত যাতে এক গভীৰ সন্মানবোধ আৰু চেতনাবোধ জগাই তুলিব পৰা যায় তাৰ বাবে হয়তো কিছু সুকীয়া সময়ৰ প্ৰয়োজন । এই দিনটোত সমগ্ৰ প্ৰান্ততে মাতৃগৰাকীৰ অৱদানৰ কথা বহুল ভাৱে চিন্তা চৰ্চা কৰা কৰিব আৰু এয়াই হয়তো সমাজৰ বাবে এক জনজাগৰণ অনাত সহায়ক হ’ব।

# মৰমৰ মা

ইৰা বৰুৱা



মা মানে মাতৃ জননী আমাৰ
জন্মতেই উম ল’লোঁ জননী কোলাৰ।
দহ মাহ দহ দিন গৰ্ভত ৰাখি
বহু কষ্ট সহিলে ভগৱানক ভাবি।
ফুটো নুফুটো কৰি মাত ওলাওঁতেই
‘মা’ হে নিগৰি আহে দুটি ওঠেৰেই।
‘মা’ বুলি মাতোতে মৌ বৰষে
মতলীয়া কৰি দিয়ে বুকুৰ মৰমে
সুখে দুখে লগৰীয়া জননী আমাৰ
আমাৰ বাবে পাহৰে নিজৰ দেহাৰ।
সন্তানৰ ৰোগ ব্যাধিত ব্যাকুল মন
খোৱা বোৱা ত্যাগ কৰি চিন্তিত হয়।
মাতৃৰ হাতৰ স্পৰ্শ মন পৰশা
দুখ কষ্ট দূৰ হয় শাত পৰে দেহা।
প্ৰণাম কৰোঁ মাতৃ এই দুই হাতে
জীৱন আগুৱাই যাওঁ প্ৰতি জনমে জনমে।
মাতৃৰ আশীৰ্বাদ সদায় নিজ সন্তানক
ভগৱানো সহায় হওক জীৱন যুদ্ধত।

# মূল্যবৃদ্ধিৰ জুই

ফখৰুদ্দিন আহমেদ




বিগত ইং ২০২০ আৰু ২০২১ বৰ্ষ দুটিত ভয়াবহ কভিড ১৯ ৰ সংক্ৰমণৰ পৰা ৰক্ষা পাবলৈ বিশ্ব সম্প্ৰদায়ৰ লগতে অসমবাসীয়েও ভোগ কৰিব লাগিছিল ল’ক ডাউনৰ অনাকাংখীত তিক্ততা। ইং চলিতৰ বৰ্ষৰ শেষাৰ্ধত যদিও ল’ক ডাউনৰ পৰা ৰাজ্যবাসীয়ে মুক্তি পালে কিন্তু ক্ৰমান্বয়ে বৃদ্ধি হৈ আহিছিল দৈনন্দিন জীৱনত প্ৰয়োজনীয় সামগ্ৰীৰ লগতে পেট্ৰল জাত দ্ৰৈব্যৰ। কভিড ১৯ ৰ জৰিয়তে ভোগ কৰা ল’ক ডাউনে ইতিমধ্যে অসমবাসীৰ অৰ্থনৈতিক পৰিকাঠামোক বেয়াকৈ ক্ষতিগ্ৰস্থ কৰি থৈ যোৱাৰ সমান্তৰালকৈ মূল্যবৃদ্ধিৰ সমস্যাই সাম্প্ৰতিক সময়ত অসমবাসীক বাৰুকৈয়ে জুৰুলা কৰি আছে। এনে সময়ত অসমৰ শাসক আৰু বিৰোধী দলৰ ব্যস্ততা বাৰুকৈয়ে মন কৰিবলগীয়া। মূল্যবৃদ্ধিৰ এনে দুৰ্বিসহ দিনবোৰত শাসকীয় দলৰ মন্ত্ৰী, বিধায়কৰ পৰা আৰম্ভ কৰি তৃণমূল পৰ্যায়লৈকে নেতা-কৰ্মী সকলৰ মন্তব্যত অসমবাসীৰ প্ৰতি থকা দায়বদ্ধতাৰ বিষয়ে পৰিস্ফুট হৈ পৰিছে। প্ৰধান বিৰোধী দল কংগ্ৰেছ বাদ-বিসম্বাদ আৰু অন্তৰ্কলহত বিধস্ত হৈছে। শাসকীয় দলৰ নেতা-কৰ্মীৰ মূল্যবৃদ্ধিৰ কাৰণ ব্যাখ্যাত ৰাইজৰ প্ৰতি দায়বদ্ধতাহীনতাৰ কথা বাৰুকৈয়ে প্ৰকাশিত হৈছে। কিছু সংখ্যকে মূল্যবৃদ্ধি ঘটা সামগ্ৰী সমূহৰ খেতি কৰিবলৈ পৰামৰ্শ দিছে, কিছু সংখ্যকে উক্ত সামগ্ৰী সমূহ কমকৈ ব্যৱহাৰৰ লগতে কমকৈ খাবলৈ পৰামৰ্শ দিছে। কিছুমানে দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰী সমূহ কঢ়িওৱা বাহন সমূহে উচ্চহাৰত পেট্ৰল জাত ইন্ধন আন ৰাজ্যত ভৰোৱাৰ বাবেহে অসমত নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধি ঘটা বুলি কাৰণ দাঙি ধৰিছে। কিছুমানে ল’ক ডাউনৰ পিছৰ পৰা জনসাধাৰণে নিত্য ব্যৱহাৰ্য সামগ্ৰী সমূহ প্ৰয়োজনতকৈ বেছিকৈ ক্ৰয় কৰাৰ কাৰণে বজাৰত সামগ্ৰীৰ কমি যোৱাৰ কাৰণে বজাৰত মূল্যবৃদ্ধি হৈছে ইত্যাদি। শাসকীয় দলৰ কিছুমান বিয়াগোম নেতাই আকৌ সাংবাদিকক মূল্যবৃদ্ধিৰ বাহিৰে আন বিষয়তহে প্ৰশ্ন কৰিবলৈ পৰামৰ্শ দিছে। তেখেত সকলক হেনো মুখ্যমন্ত্ৰী মহোদয়, বিভাগীয় মন্ত্ৰী তথা বিধায়ক সকলে মূল্যবৃদ্ধিৰ কাৰণ য’তে ত’তে দাঙি নধৰিবলৈ পৰামৰ্শ দিছে। গতিকে তেখেত সকলে কোনো কাৰণতে মূল্যবৃদ্ধি সম্পৰ্কৰ মুখ নোখোলে। কিন্তু মাত্ৰ কিছু দিন পূৰ্বে অসমৰ কেঞ্চাৰ হস্পিটেল উদ্বোধন কৰিবলৈ অহা ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই মূল্যবৃদ্ধি ৰোধ কৰিবলৈ ৰাজ্য চৰকাৰ সমূহক দিয়া পৰামৰ্শ খিনি কিন্তু মন কৰিবলগীয়া। তেখেতে দাঙি ধৰা পৰামৰ্শৰ অন্যতম দিশটি হৈছে দেশৰ জনতাৰ প্ৰয়োজনীয় নিত্য ব্যৱহাৰ্য আৰু পেট্ৰলজাত সামগ্ৰী সমূহত ৰাজ্য চৰকাৰ সমূহে আৰোপ কৰা কৰ একেবাৰে মাফ নকৰি কমাই দিলেও মূল্যবৃদ্ধি যথেষ্ট ৰোধ কৰিব পৰা যাব। কিন্তু একাধিক দিন অতিক্ৰম কৰাৰ পিছতো মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ পৰামৰ্শটি ৰাজ্য চৰকাৰ

(আঠপৃষ্ঠাত চাওক)

# প্লাষ্টিক প্ৰেম

ববিতা বৰা



ভাল পাওঁ বুলি কোৱা পুৰুষজন
সেইদিনা আতঁৰি গৈছিল মোৰ পৰা।
নোপোৱাৰ অপ্ৰাপ্তিবোৰে সেইদিনা আৰু
মোক কন্দুওৱাব পৰা নাছিল বৰঞ্চ
প্ৰেমৰ জ্ঞান দিয়া সেই প্ৰেমিকজনক মই কৈছিলো,
‘থোৱাহে তোমাৰ ভালপোৱা...।
প্লাষ্টিক পিন্ধা পুৰুষ বোৰে জানো বুজি পাই
ভালপোৱাৰ কিমান তাড়না?
তোমাৰ বীৰ্য্য স্খলিত নগীৰত মই দেখোন
এটা ভালপোৱাৰ পিড়ীত নিস্পৃহ মূৰ্তি।
এইয়া কেনে তোমাৰ জৈৱিক ভালপোৱা?’
উত্তৰত সি প্লাষ্টিক প্ৰেমবোৰ বুটলি লৈছিল।
আৰু মই... প্লাষ্টিকৰেই বনোৱা
ঈশ্বৰৰ মূৰ্ত্তিটো সাৱটি লৈ খোজ দিছিলো
সি যোৱাৰ ঠিক উলোটা বাটে,
আৰু কাহানিও লগ নোপোৱাৰ প্ৰতিশ্ৰুতিৰে।

# আই ডব্লিউ টি ঘাটত

আৰু অন্যান্য সা সুবিধাসমূহো উপলব্ধ হ'ব। তেওঁ ইয়াকো স্পষ্ট কৰে যে এই টাৰ্মিনেলটোৱে জলপথেৰে পৰিবহণৰ লগতে পৰ্যটনৰ বিকাশতো বিশেষভাবে সহায় কৰিব। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানতে দুখন ষ্টীল কেটামাৰান জাহাজৰ সেৱাও শুভাৰম্ভ কৰি সাধাৰণ যাত্ৰীৰ বাবে এই জাহাজৰ সেৱা ১০ খনলৈ বৃদ্ধি কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ পুনৰ কয় যে জ্বল পৰিবহণ সেৱা উন্নীত কৰি নাও দুৰ্ঘটনা ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে কৰা প্ৰয়াসৰ অংশ হিচাপে দেশীয় যান্ত্ৰিক নাৱৰ গৰাকীসকলক বিনামূলীয়াকৈ মেৰাইন ইঞ্জিন প্ৰদান কৰা হৈছে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিবহণ বিভাগৰ ১২টা নতুন আধাৰযুক্ত অনলাইন সেৱাও উদ্বোধন কৰে।

# শিলসাঁকো বিলত

উদ্যোগত চলা এই উচ্ছেদ সন্দৰ্ভত মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়ে প্ৰকাশ কৰা মতে, শিলসাঁকো বিলৰ পৰা ১০০ মিটাৰ দূৰত্বলৈকেহে এই উচ্ছেদ অভিযান চলিছে। এই ভূমিসমূহ শিলসাঁকো বিলৰ আৰ্দ্ৰ ভূমি বুলিয়েই চিনাক্ত হৈ আছে। গুৱাহাটী উন্নয়ন মন্ত্ৰী অশোক সিংহলে প্ৰকাশ কৰা মতে, শিলসাঁকো বিলত সীমা নিৰ্ধাৰণ কৰি ফেন্সিঙৰ ব্যৱস্থা কৰিব বিভাগে।

# ৰহাৰ বিধায়ক শশীকান্ত দাসক মন্ত্ৰী কেশৱ মহন্তৰ ধমক

ৰঙিলী বাৰ্ত্তাসেৱা- ৰহাৰ বিধায়ক শশীকান্ত দাসক মন্ত্ৰী কেশৱ মহন্তৰ ধমক। বিধায়কগৰাকীক ভৱিষ্যতে এনে ভুল নকৰিবলৈকো সকীয়াই দিয়ে মন্ত্ৰী কেশৱ মহন্তই। নগাঁও জিলাত অনুস্থিত হৈ থকা গুণোৎসৱত অংশগ্ৰহণ কৰিবলৈ মন্ত্ৰী কেশৱ মহন্ত পুৱাই ৰহাৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত হয়।



কিছু সময়ৰ পিছতে মন্ত্ৰীগৰাকীক লগ কৰিবলৈ ৰহাৰ বিধায়ক শশীকান্ত দাস কেইবাগৰাকীও আৰক্ষীৰ জোৱান লৈ বিদ্যালয়খনত উপস্থিত হয়। বিধায়ক শশীকান্ত দাসে মন্ত্ৰীগৰাকীক ফুলাম গামোচাৰে আদৰণি জনায়।আৰক্ষীক লগত লৈ বিদ্যালয় চৌহদত প্ৰৱেশ কৰা শশীকান্ত দাসক ধমক দি মন্ত্ৰী কেশৱ মহন্তই কয়, "পুলিচ কোনে লগত আনিছে? পুলিচ লগত লৈ স্কুল কেম্পাছৰ ভিতৰলৈ কিয় আহিছা। চব কেম্পাছৰ পৰা আঁতৰাবলৈ কোৱা।" মন্ত্ৰী কেশৱ মহন্তই বিধায়কগৰাকীক ভৱিষ্যতে এনে ভুল নকৰিবলৈকো সকীয়াই দিয়ে। ইয়াৰ পিছতে শশীকান্ত দাসে লগত থকা আৰক্ষীৰ জোৱান কেইজনক আঁতৰাই পঠায়। উল্লেখযোগ্য যে, কংগ্ৰেছৰ সংগ ত্যাগ কৰি বিজেপি মিত্ৰজোঁটৰ চৰকাৰক মুকলিকৈ সমৰ্থন কৰি কংগ্ৰেছৰ পৰা নিলম্বনৰ সন্মুখীন হৈছিল বিধায়ক শশীকান্ত দাস।



# মা তুমি মহান

**নিতিষ্মান দাস, অষ্টম শ্ৰেণী**



মাতৃ ! এক ধৰাৰ ভগৱন্ত সম ৰতন,
ধৰাত যেন নাপাবা মাতৃৰ সম মহাধন।
মাতৃৰ হাত দুখনিত যেন মহাশক্তি আছে,
সহস্ৰ সুৰুজৰ তাপেও যেন একো কৰিব নোৱাৰে।
মাতৃৰ সম ধৰাত নাপাবা আপোন,
বুকু হম হম কৰে মাতৃৰশুনিলেই শিশুৰ কান্দোন।
সুন্দৰ ধৰাখনি দেখিবলৈ পাইছোঁ, মা তোমাৰ বাবে,
তোমাৰ প্ৰতিটো খোজত যেন অমৃত বৰষে।
মা তুমি যেন সৰগৰ এটি ফুল,
সন্তানৰ ভৱিষ্যতৰ বাবে যেন তুমিয়ে ব্যাকুল।
হলে সন্তান অসুস্থ, কেৱল মাতৃয়ে সহায়ৰ হাত,
মাতৃৰ মন যেন পুলকিত হয় শুনিলেই শিশুৰ মাত।
মাতৃ যেন কেতিয়াও নহয় ক্লান্ত,
মাতৃৰ বলৰ যেন কদাপি নাই অন্ত।
তোমাৰ বাবে মই এই জীৱন পাইছোঁ,
তোমাৰ বাবে এই সুন্দৰ ধৰা দেখিলোঁ।
মাতৃ দিৱস বাৰু কিয় এদিন হব পাৰে,
প্ৰতিদিন মাতৃ দিৱস মোৰ বাবে।
কিছু লোকে মাতৃক বৃদ্ধা। মত থৈ আহে,
অসৎ লোক সেইবোৰ, কিয় ঈশ্বৰে জন্ম দিয়ে।
পৃথিৱীত নাপাবা মাতৃৰ সম ভগৱান,
এই যুগত, এই দেৱীৰে কিয় হয় অপমান।
মাতৃৰ প্ৰশংসাৰ যেন অন্ত নপৰে,
মাতৃৰ সম যুদ্ধা যেন ধৰাত নাথাকে।
মাতৃৰ সম কেতিয়াও সঁচা প্ৰেম নাপাবা,
মাতৃক কেতিয়াও আঘাত নিদিবা।
মাতৃ দিৱসৰ এই পৱিত্ৰ ক্ষণত,
সহস্ৰ-কোটি প্ৰণাম মা তোমাৰ চৰণত।

# সম্বিৎ হেৰুৱাও নৈসৰ্গত

**মাধুৰী শৰ্মা সভাপণ্ডিত, যোৰহাট**



এজাৰ ফুলিছে দোঁ খাই
বনপখীৰ কলৰৱত পুৱাতো হৈছে মাতাল
সখি ঐ-ঢোলটো বজোৱা ৰজন জনাই।
পথাৰখন সেউজীয়া হওঁক মন জুৰাই।
ওৰে ৰাতি হাস্নাহানাৰ গোন্ধত
জোনৰ আবদাৰ
বুকুখন মদিৰ হৈ আছে
কপৌফুলীয়া দেহা।
মানুহ-মাটিৰ মৰ্মত
আহা-আজন্ম হওঁ বলিয়া।

# ক'লা ৰঙৰ ছাতি নে ৰঙীন ছাতি আমাৰ পচন্দৰ

**বন্দিতা শৰ্মা কন্দলি**



বৰ্ষা ঋতু অহাৰ লগে লগেই আমাৰ ছাতিটো লৈ মনত পৰে নহয় জানোহু বৰ্ষা মানেই বাৰিষা কাল অৰ্থাৎ বৰষুণৰ পৰিমাণ বেছি। ৰ'দ বৰষুণৰ পৰা ৰক্ষা পাবলৈকে আমি ছাতি ব্যৱহাৰ কৰোঁ। বৰ্তমান গাড়ী, মটৰ চাইকেল আদিৰে যাতায়তৰ সুবিধা হোৱাত ছাতিৰ ব্যৱহাৰ কিছু পৰিমাণে হ্ৰাস পাইছে। ছাতিৰ পৰিবৰ্তে "ৰেইন কোট" ব্যৱহাৰ কৰা দেখা যায়।


এতিয়া আমি যিসকলে ছাতি ব্যৱহাৰ কৰোঁ, কেনেকুৱা ছাতি ব্যৱহাৰ কৰোঁ বাৰু ! ক'লা নে ৰঙীন? ক'লা ৰঙে পোহৰ আৰু তাপ প্ৰায় সকলো খিনিয়েই শোষণ কৰি লয়। ক'লা ৰঙৰ ছাতি ল'লে ছাতিৰ ক'লা কাপোৰে সূৰ্যৰ তাপ আৰু পোহৰ ছাতিত পৰাৰ লগে লগেই শুহি লয় আৰু সেই তাপ বিকিৰণ প্ৰথাৰে চাৰিওফালে এৰি দিয়ে। ছাতিবোৰৰ আকৃতি সাধাৰণতে গোলকৰ বক্ৰতলৰ দৰে হোৱাৰ বাবে বিকিৰিত হোৱা তাপ গোলকৰ ব্যাসাৰ্ধ পৰ্য্যন্ত হয় বুলি বিজ্ঞানীসকলে কয় । গৰম দিনত ছাতি লৈ থৈ থাকিলে বিকিৰিত হোৱা তাপ ছাতিৰ তলত থকা ব্যক্তি গৰাকীৰ মূৰতে সেই তাপে স্পৰ্শ কৰে। ফলস্বৰূপে ছাতিলৈ থাকিলেও গৰমৰ পৰা সকাহ নাপাব। আনহাতে ছাতি লৈ যদি খোজ কাঢ়ি থকা হয় তেতিয়া ব্যক্তি জনৰ চৌপাশৰ বায়ুৰ বেগ বাঢ়ি যায়। ফলস্বৰূপে ছাতিৰ ভিতৰত যি তাপৰ সৃষ্টি হয় সেই তাপ গতিশীল বায়ুৱে আঁতৰাই দিয়ে। সেই খালী ঠাই পুৱাবলৈ কাষৰ তুলনামূলকভাৱে ঠাণ্ডা বায়ুৱে পুৰণ কৰে। সেয়ে খোজ কাঢ়ি থকা অৱস্থাত ছাতিলৈ থৈ থকা অৱস্থাত কৈ কম গৰম অনুভৱ কৰে ।

কিন্তু আমি ক'লা ছাতি নলৈ বগা বা আন পাতল ৰঙৰ ছাতি লওঁ তেতিয়া সেই বগা বা পাতল ৰঙে

*(আঠপৃষ্ঠাত চাওক)*

# বৈদিক নদীসমূহ

**গায়ত্ৰী দেৱী বৰঠাকুৰ, তেজপুৰ**




ভাৰতীয় সমাজ সভ্যতা সাংস্কৃতিৰ মূল আধাৰ হৈছে বেদ। বেদ পৃথিবীৰ প্ৰাচীনতম সাহিত্য। চাৰিবেদৰ ভিতৰত ঋগ্বেদ অতি প্ৰাচীন। এই ঋগ্বেদেই ভাৰতীয় জ্ঞান, সাহিত্য আৰু ধৰ্মৰো মূল ভেঁটি। বেদ তথা বৈদিক সাহিত্যত উপলব্ধ তথ্য সমূহে আমাক সেই যুগৰ ভাৰতবৰ্ষ খনৰ ভৌগোলিক, ৰাজনৈতিক, আৰ্থ-সামাজিক, ধাৰ্মিক আদি তথ্য প্ৰদান কৰাৰ লগতে সেই ভাৰতবৰ্ষবাসীৰ মনোজগত খনৰ বিষয়েও জ্ঞান প্ৰদান কৰে। বিভিন্ন দেৱ-দেৱীৰ লগতে প্ৰকৃতিৰ পূজাৰী আমাৰ পূৰ্বজ সকলে প্ৰকৃতিৰ বিভিন্ন সত্তাকো আৰাধনা কৰিছিল। বৈদিক যুগত সুস্বাস্থ্য, সুসন্তান, ধন-সম্পতি, দীৰ্ঘ আয়ু ইত্যাদিৰ কামনাৰে প্ৰকৃতিৰ বিভিন্ন সত্তাক কৰা হৈছিল পূজা-অৰ্চনা। সূৰ্য্য, বায়ু, বৰষুণ ইত্যাদি প্ৰকৃতিৰ সত্তাৰ লগতে নদীকো পূজা কৰিছিল সেইসকল ভাৰতবৰ্ষবাসীয়ে। নিৰুক্তকাৰ যাস্কৰ মতে প্ৰতিটো বস্তু যিটো এটা মন্ত্ৰ অথবা সম্পূৰ্ণ এটা সূক্তত আৰাধনা কৰা হৈছে সেয়ে দেৱতা। বৈদিক সাহিত্যত উপলব্ধ উভয় লিঙ্গবাচক দেৱতা শব্দৰ দ্বাৰা সৰস্বতী, ইলা, ভাৰতী, ৰাত্ৰী, উষা ইত্যাদি দেৱীকো আগবঢ়োৱা হৈছিল নৈবদ্য। বৈদ্যিক ভাৰতীয় সকলে দেৱী পূজনৰ দিশটোতো প্ৰদান কৰিছিল যথেষ্ট মৰ্যদা। উল্লেখযোগ্য যে বৈদিক ধৰ্মই হৈছে প্ৰাচীনতম ধৰ্ম যি ধৰ্ম চিৰদিন প্ৰবাহিত হৈ আহিছে প্ৰতি ভাৰতীয়ৰ প্ৰাণত, মন-মগজত। নদীসমূহো সেইসকল ভাৰতবৰ্ষবাসীৰ দৃষ্টিত আছিল মাতৃ স্বৰূপা। নদীসমূহক মাতৃৰূপে গণ্য কৰাৰ পাতনি মেলা এই প্ৰথা আজিও বিদ্যমান আমাৰ দেশত। নদীমাতৃ শব্দৰ বৰ্তমানেও ব্যৱহাৰ তথা নদী পূজণে প্ৰমাণ কৰে আমাৰ তেজত প্ৰবাহিত হৈ থকা সেই বৈদিক পৰম্পৰাৰ ধাৰাকেই। বৈদিক নদীসমূহৰ মহত্ব ভাৰতীয় জীৱন ধাৰাত অতি উচ্চ পৰ্যায়ত। বৈদিক সাহিত্যত নদীৰ পৰ্যায়বাচী শব্দৰূপে সততে ব্যৱহৃত হয় সিন্ধু, সৰিতা, তটিনী আদি শব্দৰ। তদুপৰি বৈদিক সাহিত্যত সততে উপলব্ধ এটি শব্দ হৈছে 'সপ্তসিন্ধৱঃ।' বিদ্বানসকলৰ মতানুসাৰে পাঞ্জাৱৰ পাচঁনদী, সৰস্বতী তথা কুভায়েই এই 'সপ্তসিন্ধৱঃ'। মেক্সমূলাৰৰ মতে পাঞ্জাৱৰ পাঁচনদী, সৰস্বতী তথা সিন্ধুয়েই এই সপ্তসিন্ধু। বেদৰ ভাষ্যকাৰ সায়ণে 'সপ্তসিন্ধুৱঃ' শব্দ ব্যাখ্যাত মাত্ৰ "গংগা-যমুনা আদি নদী" বুলিহে উল্লেখ কৰিছে। এই সপ্তসিন্ধুকেই সপ্তনদ্যঃ বুলিও জনা যায়। 'সপ্তস্বস্বা' নামেৰেও খ্যাত এইসমূহ বৈদিক সৰিতা। বৈদিক সাহিত্যত বহুতো নদীৰ নামোল্লেখ উপলব্ধ হয়। বৈদিক ভাৰতৰ প্ৰমুখ্য নদী আছিল সিন্ধু আৰু সৰস্বতী। ঋগ্বেদৰ সুক্তত সমূহত উল্লেখ থকা আন-আন নদীসমূহ হৈছে গংগা, যমুনা, পৰুষ্ণী, অক্নিনী, মৰুদবৃধা, বিতস্ত, আৰ্জীকীয়া, সুষোমা, তৃষ্টামা, কুভা, মেহত্নু, গোমতী, ক্ৰমু, স্বাস্ত, আপয়া, ৰেবা, শ্বেতা, ৰক্ষা, বিপাশা, শুতুদী, সৰযু, দৃষদ্বতী ইত্যাদি। ঋগ্বেদৰ দশম মণ্ডলত নদীস্তুতি (নদীৰ প্ৰশংসা)ৰ প্ৰসংগত গংগানদীৰ মাত্ৰ এবাৰ উল্লেখ কৰা হৈছে। এই বেদৰ মতে সুদামে এই নদীৰ তীৰতেই বিজয় লাভ কৰিছিল। দুষ্যন্তৰ পুত্ৰ ভৰতে অশ্বমেধ যজ্ঞ সম্পন্ন কৰি গংগাৰ পাৰৰ 'বৃত্ৰঘ্ন' নামৰ ঠাইত পঁচপন্নটা ঘোঁৰা দেৱতাৰ অৰ্থে প্ৰদান কৰিছিল। গংগা নদীৰ লগত সততে উল্লেখিত হোৱা আনখন নদী হৈছে যমুনা। ঐতৰেয় ব্ৰাহ্মণ, জৈমিনীয় ব্ৰাহ্মণ তথা তৈত্তিৰীয় আৰণ্যকতো গংগা-যমুনাৰ একত্ৰ উল্লেখ উপলব্ধ হয়। ঋগ্বেদৰ উপৰিও অন্যান্য ব্ৰাহ্মণ তথা সূত্ৰসমূহতো যমুনা নদীৰ উল্লেখ পোৱা যায়। শতপথ আৰু ঐতৰেয় ব্ৰাহ্মণৰ মতে এই নদীৰ তীৰত ভৰতগণে বিজয়ীৰূপে স্বীকৃতি লাভ কৰিছিল। তৈত্তিৰীয়

*( নপৃষ্ঠাত চাওক)*


অসম চৰকাৰ
GOVERNMENT OF ASSAM
জনতাৰ চৰকাৰ
my GOV
मेरी सरकार
অৰুণোদয়
আৰ্তজনৰ বাবে অসম চৰকাৰৰ যুগান্তকাৰী পদক্ষেপ
অৰুণোদয় আঁচনি
১০ তাৰিখ
অৰুণোদয়ৰ দিন
হিতাধিকাৰীসকলৰ একাউণ্টলৈ প্ৰাপ্য ধন প্ৰদান
JANASANYOG- 546/22
মুঠ হিতাধিকাৰী
১৮.৭৪ লাখ
প্ৰদান কৰা ধনৰ পৰিমাণ
১৮৭.৪৯ কোটি টকা
অৰুণোদয় আঁচনিৰ অধীনত প্ৰতিগৰাকী মহিলা হিতাধিকাৰীলৈ মাহিলি অনুদান
১,০০০লৈ বৃদ্ধি
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

# মা

**ৰাজলক্ষ্মী বৰঠাকুৰ,গোলাঘাট**



মা শব্দৰ বিশালতা
অনুভৱ হে কৰিব পাৰি,
শব্দ বা ভাষাৰে বুজাব নোৱাৰি,
চিৰ -চেনেহী মা,
সুখ- দুখৰ লগৰী ।
মা যেন এজোপা বৰগছ!
যাৰ ছাঁত
জিৰণি লৈ সকলো
দুখ -ভাগৰ আঁতৰি যায়।
সকলো মাতৃ লৈকে মাতৃ দিৱসৰ শুভেচ্ছা থাকিল

# মা

**ময়ূৰাক্ষী গগৈ**




'মা' কি যে মধুৰ কোমল শব্দ
হৃদয় খন শাঁত পৰি যায়।
মা তুমি অনন্যা,
তুমি যে ত্যাগ, সাহস আৰু ধৈৰ্যৰ প্ৰতীক।
মা, তোমাৰ কাষত থাকিলে
সন্তানে নিজকে অতি সুৰক্ষিত অনুভৱ কৰে।
মা, তুমি সন্তানৰ ত্ৰাণকৰ্তা ভগৱান স্বৰূপ।
মা, তুমি বহু কষ্ট আৰু ত্যাগেৰে
সন্তানক লালিত-পালিত কৰা।
তুমি সন্তানৰ সুখ-দুখত সমভাগী হোৱা।
তুমি সন্তানৰ জীৱনৰ গুৰি-বঠা স্বৰূপ।
মা, তুমিয়েই সন্তানৰ প্ৰথম শিক্ষাগুৰু।
তোমাৰ ধাৰ আমি
জীৱনত শুজিব নোৱাৰোঁ।
এই পৃথিৱীত তোমাৰ সমান
কোনোৱেই হ'ব নোৱাৰে।
হে জন্মদাত্ৰী বুকুৰ আপোন আই
তোমাৰ ওচৰত চিৰকৃতজ্ঞ ।

# ক'লা ৰঙৰ ছাতি

সূৰ্যৰ তাপ আৰু পোহৰ শোষণ নকৰে। সূৰ্যৰ পৰা অহা তাপ আৰু পোহৰ প্ৰায় সকলো খিনিয়েই বগা ৰঙে প্ৰতিফলিত কৰে। ফলত পাতল ৰঙৰ ছাতি ব্যৱহাৰ কৰিলে কম গৰম অনুভৱ কৰে । এই একে কাৰণেই গৰমৰ দিনত পাতল ৰঙৰ কাপোৰ পিন্ধিলে আৰাম পাব পাৰি।
ছাতি ব্যৱহাৰ হোৱা দিনৰ পৰাই ক'লা কাপোৰৰ ছাতিহে ব্যৱহাৰ কৰা দেখা যায়। অষ্টাদশ শতিকাত প্ৰথমে মহিলাৰ বাবে নানা ৰঙৰ ছাতি নিৰ্মিত হয়। আৰামদায়ক ছাতি হিচাপে আজি কালি ছাতিৰ ওপৰৰ ফালটো গাঢ় ৰঙৰ হ'লেও তলৰ ফালে বগা বা পাতল ৰঙৰ কাপোৰ ব্যৱহাৰ কৰে। মৰমৰ মইনাহঁত তোমালোকে বাৰু, পুৰুষ সকলে ৰঙ বিৰঙৰ ছাতি লোৱা দেখিছানে?

# নীলমণি ফুকনৰ কবিতাত সমাজ বাস্তৱতা

**পুলিন ডেকা**



অসমীয়া সাহিত্যৰ কাব্যিক চেতনাক নৱ ৰূপেৰে উদ্ভাষিত কৰাৰ দিশত যিকেইগৰাকী কবিয়ে এক সুদৃঢ় ভেটি স্থাপন কৰিছে, সেইসকলৰ ভিতৰত নীলমণি ফুকন অন্যতম। ফুকনৰ কবিতা স্বপ্ৰতিভাৰে মণ্ডিত, সমুজ্জ্বল। তেওঁৰ কবিতাত স্বৰ স্পন্দনৰ সুৰ জীৱন্ত। বদলেয়াৰ, মালাৰ্মেৰ দৰে প্ৰতীকবাদী ধাৰাৰ প্ৰতি নীলমণি ফুকনৰ দুৰন্ত আকৰ্ষণে অসমীয়া সাহিত্যত আধুনিক গতিক নতুন মাত্ৰা প্ৰদান কৰে। আধুনিক কবিতাই আপাত সংযোগবিহীনতাৰ মাজত সংযোগ স্থাপন কৰে। ই কাব্যিক শৈলীৰ অতিশয় জটিল বিষয়। কিন্তু অসমীয়া কবিতাত এই বিষয়টোক প্ৰতিপন্ন কৰি ফুকনে কবিতাৰ অন্তৰ দৃষ্টিক অতি গভীৰ কৰি তোলে। হয়তো স্পেনিচ কবি লৰকাৰ, জাপানী কবিতা, চীনা কবিতাৰ অনুবাদে সেই ধাৰাসমূহৰ প্ৰতি অত্যুগ্ৰ আগ্ৰহ সূচনা কৰা বাবেই ফুকনৰ কবিতাত এটা নতুন চেতনাই প্ৰাণ পাই উঠিছে। নীলমণি ফুকনৰ ৰচনাৱলীত শোণিত বিজয় দাস আৰু মুনীন বায়নে উল্লেখ কৰিছে- 'ফুকনৰ কবিতাত আৰম্ভণিৰে পৰা মগ্ন চৈতন্যৰ নানা অভিব্যক্তি লক্ষ্য কৰিব পাৰি। তেওঁৰ ব্যঞ্জনাশ্ৰয়ী চিত্ৰকল্প আৰু প্ৰতীকবোৰে

*(দহপৃষ্ঠাত চাওক)*

# মূল্যবৃদ্ধিৰ জুই

সমূহে কাৰ্যকৰীকৰণ কৰাৰ ক্ষেত্ৰত হীন দেৰি কৰি আছে। অসম চৰকাৰেও এই ক্ষেত্ৰত সাম্প্ৰতিক সময়লৈ বিশেষ কাৰ্যপন্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই।
মূল্যবৃদ্ধিৰ কাৰণ সম্পৰ্কত শাসকীয় দলৰ নেতা-কৰ্মী সকলে যিবোৰ পৰামৰ্শ ইতিমধ্যে জনতাৰ উদ্দেশ্যি দিছে ব্যৱহাৰ্য সামগ্ৰীৰ ক্ষেত্ৰত সেই সকলোবোৰৰ খেতি কৰিব পৰা নাযায় নাইবা কমকৈ খোৱাৰ ব্যৱস্থা কৰিলেই মূল্যবৃদ্ধি ৰোধ নহয় । মূল্যবৃদ্ধি ৰোধ কৰিবলৈ হ'লে শাসকীয় পক্ষ, বিৰোধী দল, ব্যৱসায়ী সকলৰ সুস্থিৰ মানসিকতা আৰু জনতাৰ পূৰ্ণ সহযোগিতাৰ নিত্যান্তই প্ৰয়োজন আছে। এই ক্ষেত্ৰত সহযোগ আৰু সমন্বয়ৰ কোনো ক্ষেত্ৰত যে অমিল আছে সেয়া খাটাং। ল'ক ডাউনৰ বিগত দুটা বছৰত ধনীক আৰু বনিক শ্ৰেণী দুটাৰ বাহিৰে চাকৰিয়াল, মধ্যবিত্ত আৰু দৰিদ্ৰতাৰ লগত সহবাস কৰি জীয়াই থকা সকলে জীৱন সংগ্ৰামৰ ৰণখনি ওচৰৰ পৰা দেখাৰ লগতে নিজেও ভুক্তভোগী হৈছিল। নিজৰ ভাঙি যোৱা অৰ্থনৈতিক পৰিকাঠামোক টনকিয়াল কৰাৰ আগমুহূৰ্তত অপৰিকল্পিত ভাবে আহি পৰা মূল্যবৃদ্ধি ভূতৰ ওপৰত দানহ পৰাৰ দৰেই হৈছে গৈ। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ দিনাখন অৰ্থাৎ ইং ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতৰ এক টকাৰ পৰিমাণ এক ডলাৰৰ সমান আছিল। সম্প্ৰতি সেই এক ডলাৰ এতিয়া প্ৰায় ৮০ টকাৰ সমান হৈছে। এই ফালৰ পৰা দেখা যায় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়টো টকাৰ মূল্য কমি গৈছে অৰ্থাৎ ভাৰতীয় অৰ্থনীতিত মুদ্ৰাস্ফীতি ঘটিছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত টকাৰ মূল্য কমি যোৱাৰ ক্ষেত্ৰত ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছৰ কালচোৱাত সাত দশকতকৈ অধিক কাল শাসনৰ গাদীত বহিবলৈ সক্ষম হোৱা কংগ্ৰেছ দলো কম জগৰীয়া নহয়। কিছুদিন পূৰ্বে বিশ্ব বেংকৰ দ্বাৰা প্ৰকাশিত তথ্য অনুযায়ী ভাৰতবৰ্ষ উন্নয়নশীল ৰাষ্ট্ৰৰ পৰা অৱনমিত হৈ দৰিদ্ৰ দেশৰ তালিকাত অন্তৰ্ভুক্ত হৈছে। আমাৰ ওচৰ চুবুৰীয়া দেশ শ্ৰীলংকাত হোৱা অৰ্থনৈতিক অৱস্থাই আমাৰ দেশ খনকো বাৰুকৈয়ে জোকাৰি গৈছে। দেশৰ জনসাধাৰণক যোগান ধৰা বিনামূলীয়া আঁচনিয়েই কাল হৈছে শ্ৰীলংকাৰ বাবে। দেশৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱাৰি প্ৰধানমন্ত্ৰী গৰাকী পলাই গৈছে বিদেশলৈ। ভাৰতবৰ্ষৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী, বি জে পি দলৰ পিতৃ পুৰুষ, আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন কবি প্ৰয়াত অটল বিহাৰী বাজপেয়ীয়ে কোনো কাৰণতে দেশৰ জনসাধাৰণক বিনামূলীয়া আঁচনি দিয়াৰ পক্ষত নাছিল আৰু তেখেতে এই কাৰ্যৰ দুৰ্ঘোৰ বিৰোধীতাও কৰিছিল। কাৰণ এনে কাৰ্যৰ দ্বাৰা জনসাধাৰণ উৎপাদনমুখী কৰ্মৰ পৰা বিৰত থাকে কিন্তু বিনামূলীয়া আঁচনিত চৰকাৰৰ খৰছৰ শিতান বহুত পৰিমাণে বাঢ়ি যায়। সেয়া জোৰা মাৰিবলৈ চৰকাৰে নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ ওপৰত অতিৰিক্ত কৰ লগাবলগা হয়। ফলত মূল্যবৃদ্ধি হৈ দেশৰ তথা ৰাজ্যৰ জনসাধাৰণক কোঙা কৰে। বিশ্ব বেংকৰ তালিকাত ভাৰতবৰ্ষ উন্নয়নশীল দেশৰ পৰা দৰিদ্ৰ দেশলৈ অৱনমিত হোৱা প্ৰসংগ কিন্তু দেশ তথা ৰাজ্যৰ বিয়োগোম ৰাজনৈতিক নেতা সকলৰ মুখত শুনিবলৈ পোৱা নাই। দেশ তথা ৰাজ্যৰ অৰ্থনৈতিক পৰিকাঠামো নিৰ্মাণত শাসকীয় পক্ষ আৰু দেশৰ বিশিষ্ট অৰ্থনীতিবিদ সকলৰ আলোচনা-পৰ্যালোচনাৰ বাৰুকৈয়ে প্ৰয়োজন আছে। এই কথা সকলো পক্ষই অনুধাৱন কৰিব লাগিব। মুঠতে মূল্যবৃদ্ধি ৰোধৰ ক্ষেত্ৰৰ পৰা দেশ তথা ৰাজ্যৰ জনসাধাৰণক পৰিত্ৰাণ দিবলৈ হ'লে শাসকীয় পক্ষই অথবা যুক্তি জনসাধাৰণলৈ আগনবঢ়াই দেশৰ সংবিধানে দিয়া পথ নিৰ্দেশনা মতেহে আগবাঢ়িব লাগিব নহ'লে মূল্যবৃদ্ধিৰ জুয়ে দেশ আৰু ৰাজ্যৰ উন্নয়ণ স্থবিৰ কৰি তুলিব পাৰে।

# বৈদিক নদীসমূহ

ব্ৰাহ্মণ তথা তাণ্ড্য ব্ৰাহ্মণতো ভৰতগণৰ উল্লেখ পোৱা যায়। ভৰতে যমুনা নদীৰ পাৰত আঠসত্তৰটা অশ্ব দেৱতাৰ উৎসৰ্গা কৰিছিল। ইয়াৰোপৰি ৰজা ভৰতে এই দুই নদীৰ তীৰত তেত্ৰিশ শ - তেত্ৰিশ শ ঘোঁৰা বান্ধি নিজৰ পৰাক্ৰমৰে সকলো শত্ৰুকে ভয়ভীত কৰি তুলিছিল। শতপথ ব্ৰাহ্মণত এই দুখন নদীৰ পাৰত ভৰতে পাঁচশ- পাঁচশ ঘোঁৰা বন্ধাৰ তথ্য উপলব্ধ। এই ব্ৰাহ্মণ গ্ৰন্থতেই উল্লেখ আছে ভৰত দৌহষন্তিৰ বিজয় গাথা। তৈত্তিৰীয় আৰণ্যকত গংগা আৰু যমুনাৰ তীৰত বাসকৰা সকলক প্ৰদান কৰা হৈছে বিশেষ সন্মান। ঋগ্বেদৰ ঐতৰেয় ব্ৰাহ্মণত ইৰাৱতী নদীক সেই সময়ৰ প্ৰমুখ নদীৰূপে উল্লেখ কৰা হৈছে। গভীৰ তথা তীব্ৰ জলধাৰাৰ বাবেই এই নদীক ইৰাৱতী নামেৰে জনা যায়। কুভা নদীৰ উল্লেখ পঞ্চম আৰু দশম মণ্ডলত মাত্ৰ দুবাৰ কৰা হৈছে। নিৰুক্তৰ নৱম অধ্যায়ত উল্লেখিত অক্নিনী নদী চন্দ্ৰভাগা নামেৰেও বিখ্যাত। ঋগ্বেদৰ এই নদীখনেই বৰ্তমানৰ পাঞ্জাবৰ ছেনাব নদী। দশম মণ্ডলৰ উপৰিও ঋগবেদৰ অষ্টম মণ্ডলতো এই নদীৰ নাম আছে। ঋগ্বেদত নাম উচ্চাৰিত হোৱা আন খন নদী হৈছে আৰ্জীকীয়া। আৰ্জীক আৰু আৰ্জীকীয় এই দুটি শব্দৰ দ্বাৰা সেই স্থানৰ বাসীসকলক বুজোৱাৰ সম্ভাৱনা পৰিলক্ষিত হয়। এই নদীৰ বিষয়ে নিৰুক্তৰ নৱম অধ্যায়ত উল্লেখ আছে। ঋগ্বেদৰ তৃতীয় মণ্ডলত উল্লেখ থকা আন এখন নদী হৈছে আপয়া। আপয়া, দৃষদ্বতী তথা সৰস্বতীৰ মাজৰ এখন নদী। আপয়া মহাভাৰত কালীন ভাৰতৰো এখন বিখ্যাত নদী। ঋগ্বেদৰ দশম আৰু পঞ্চম মণ্ডলত উল্লেখিত আন এখন নদী হৈছে ক্ৰুমু। নিৰুক্তৰ নৱম অধ্যায় আৰু ঋগ্বেদৰ দশম মণ্ডলৰ আন এখন নদী হৈছে বিতস্তা। বিতস্তা পাঞ্জাবৰ আটাইতকৈ পশ্চিম দিশৰ নদী। দশম মণ্ডলত বিতস্তা আৰু অসিক্নী নদীৰ লগত একেলগে নামোল্লেখ থকা আনখন নদী হৈছে মৰুদবৃধা। দশম মণ্ডলৰ উপৰিও অষ্টম মণ্ডলত নাম থকা ঋগ্বেদৰ আন এখন নদী হৈছে গোমতী। ঋগ্বেদৰ সপ্তম মণ্ডলৰ তথ্য অনুসৰি সুদামে এই নদীৰ তীৰতেই লাভ কৰিছিল দহ ৰজাৰ ওপৰত বিজয়। এই বেদৰেই অষ্টম মণ্ডলত গোমতী নদীক মহানদী বুলি উল্লেখ কৰা হৈছে। যাস্কই এই নদীক ইৰাৱতী বুলি গণ্য কৰিছে। অনিতভা নদীৰ নাম মাত্ৰ এবাৰ উল্লেখ কৰা হৈছে ঋগ্বেদৰ পঞ্চম মণ্ডলত। এই বেদৰ দশম মণ্ডলৰ সৰমা-পাণি সংবাদসূক্তত ৰসানদীৰ উল্লেখ পোৱা যায়। ঋগ্বেদৰ প্ৰথম, পঞ্চম আৰু দশম মণ্ডলত এই নদীৰ বিষয়ে উল্লেখ আছে। বৈদিক ভাৰতৰ একেবাৰে উত্তৰ-পশ্চিম দিশত এই নদীৰ অৱস্থান। এই বেদত পঞ্চম মণ্ডলত ৰসানিতভা শব্দৰো উল্লেখ পোৱা যায়। ঋগ্বেদৰ মতে এইনদী দৈৱী শক্তি সম্পন্ন। ৰসা, অনিতভা তথা কুভাৰ লগত একেলগে নামোল্লেখ থকা আনখন নদী হৈছে সৰযু। সৰস্বতী আৰু সিন্ধু নদীৰ লগতো এই নদীৰ নাম পোৱা যায় ঋগ্বেদত। ঋগ্বেদৰ চতুৰ্থ, পঞ্চম তথা দশম মণ্ডলত এই নদীৰ নাম সন্নিবিষ্ট। সৰস্বতী নদীৰ লগত একেলগে নাম উল্লেখ থকা আন এখন নদী হৈছে দৃষদ্বতী। সামবেদৰ তাণ্ড্যব্ৰাহ্মণত এই দুই নদীৰ একেলগে নাম উচ্চাৰিত হৈছে। লাট্যায়ন শ্ৰৌতসূত্ৰৰ মতে দৃষদ্বতী মূলতঃ বৰ্ষাকালীন নদী। বাৰিষাৰ পাছত এই নদী শুকাই গৈছিল। সৰস্বতী তথা দৃষৱতীৰ সংগমস্থলীক 'দৃষদ্বত্যা অপ্যায়ে' আখ্যা প্ৰদান কৰা হৈছে। মনুৰ মতানুসাৰে এই দুই দিব্যনদীৰ মধ্যভাগেই ব্ৰহ্মাৱৰ্ত্ত। গংগা যমুনা, সৰস্বতী-দৃষদ্বতীৰ দৰে একেলগে নামোচ্চাৰিত হোৱা আন দুখন নদী হৈছে বৈদিক বিপাশা আৰু শুতুদ্ৰী। ঋগ্বেদৰ তৃতীয় মণ্ডলৰ 'বিশ্বামিত্ৰ নদী সংবাদত' এই দুই নদীৰ নাম সন্নিবিষ্ট। এই বেদৰ চতুৰ্থ মণ্ডলতো উল্লেখ থকা এই বিপাশা নদীৰ প্ৰাচীন নাম উৰুঞ্জীৰা বুলি যাস্কই মত পোষণ কৰিছে। বৰ্তমানৰ পাঞ্জাৱত প্ৰৱাহিত হৈ থকা এই নদীৰ বিষয়ে পাণিনিয়েও উল্লেখ কৰিছে। অথৰ্ববেদৰ গোপথ ব্ৰাহ্মণৰ মতে এইনদীৰ মাজত অৱস্থিত বশিষ্ঠ-শীলা। বেদোত্তৰ সাহিত্যত এই নদীক বিপাশা নামেৰে জনাযায়। পাঞ্জাৱৰ আটাইতকৈ পূৰ্বৰ নদী হৈছে শুতুদ্ৰী। ঋগ্বেদৰ তৃতীয় তথা দশম মণ্ডলত উল্লেখ থকা এই নদীৰ বিষয়ে নিৰুক্ততো উল্লেখ কৰা হৈছে। বেদোত্তৰ সাহিত্যত এই নদী এশটা ধাৰাৰে প্ৰৱাহিত হোৱাৰ বাবে শতদ্ৰু নামেৰে জনাজাত। বেদত বৰ্ণিত ৰেবা নদীয়েই নৰ্মদা। স্বাস্তু, তৃষ্টামা আদি নদীৰ হয়তো বৈদিক কালত প্ৰভাৱ অধিক নাছিল। সেয়ে অৱশিষ্ট এই কেইখন নদীৰ বিষয়ে বৈদিক সাহিত্যৰ পৰা অধিক তথ্য লাভ কৰা নাযায়। বৈদিক যুগৰ প্ৰভাৱশালী নদী সিন্ধু তথা সৰস্বতী নদী। বৈদিক সাহিত্যত সততে উল্লেখিত নদী হৈছে সিন্ধু। ঋগ্বেদত কোৱা হৈছে যে যেনেদৰে মাতৃয়ে পুত্ৰৰ পোষণ কৰে, গৰুৱে দুগ্ধৰে মানৱকূলক পালন-পোষণ কৰে, তেনেদৰে সিন্ধুনদীয়েও মানৱ সমাজক ভৰণ-পোষণ কৰে। এই বেদতেই সিন্ধু নদীক প্ৰদান কৰা হৈছে 'ৱাজিনীৱতী'ৰ আখ্যা। পতঞ্জলিৰ মহাভাষ্যত সিন্ধুনদীখন নাৱেৰে পাৰ হোৱাৰ কথা উল্লেখ কৰা হৈছে। সিন্ধুনদীৰ উপত্যকাৰ সভ্যতাৰ বিষয়ে আমি সকলো অৱগত। ডেৰিয়স শিলালিপিত এই নদী হিন্দু তথা ইউৰোপীয়ান লিখকসকলৰ লিখনিসমূহত এই নদীক ইণ্ডাচ্ বুলি উল্লেখ কৰা হৈছে। বৈদিক সাহিত্যত সিন্ধু শব্দৰ প্ৰতি নদী তথা নদীপতি সমুদ্ৰৰ পৰ্যায়বাচক শব্দৰূপে ব্যৱহৃত হোৱাৰ দিশটোৰ পৰা এই নদীৰ জনপ্ৰিয়তাকেই অনুমান কৰিব পাৰি। সিন্ধুৰ দৰে অতি প্ৰাচীন নদী হৈছে সৰস্বতী নদী। বৈদিক সাহিত্যত পোৱা যায় সৰস্বতী নদীৰ বহল বৰ্ণনা। বৈদিক ভাৰতৰ সৰস্বতী অতি পৱিত্ৰ তথা প্ৰসিদ্ধ নদী। বৈদিক সাহিত্যৰ এই দুই নদীৰ একত্ৰ উল্লেখ আছে। ঋগ্বেদত নদীতমা বুলি বৰ্ণনা কৰা এই নদীৰ ঐশ্বৰিক মহত্ব ঋগ্বেদৰ দ্বিতীয় মণ্ডলত উপলব্ধ যত এই নদীক 'দেৱীতমে' বুলি সম্বোধন কৰা হৈছে। যাস্কৰ মতে দেৱীৰ দৰে সৰস্বতীৰ নদীৰ স্বৰূপটিত বৈদিক ভাৰতত মুখ্য আছিল। এই সৰস্বতী নদী পাৰ বহুতো ৰজা, পঞ্চজনগোষ্ঠীৰ বাসভূমি আছিল। ঋগ্বেদৰ মতে সৰস্বতী নদীৰ তীৰতেই পুৰুসকলে বসবাস কৰিছিল। দেৱী সৰস্বতী পৱিত্ৰ নীৰৰ লগতে জ্ঞানো প্ৰদায়িনী আছিল। বাজসনেয়ী সংহিতাই সৰস্বতী নদীক পাৱকা আখ্যা প্ৰদান কৰিছে। বেদৰ ভাষ্যকাৰ সায়ণে 'পাৱকা' শব্দৰ ব্যাখ্যা 'শোধয়িত্ৰী' ৰূপে কৰিছে। এই সৰস্বতী নদীক 'ঘোৰা', 'ঘৃতাচী' ৰূপেৰেও জনা যায়। যি জল বৰ্ষণ কৰে সেয়ে ঘৃতাচী। সায়ণৰ মতে, ঘৃতাচী ঘৃতম্ উদকম্ অঞ্চাতি। উদকম্ শব্দৰ অৰ্থ পানী। সৰস্বতীৰ 'ঘৃতাচী' সম্বোধনে যজ্ঞত আহুতি লাভৰ তথ্যকো প্ৰমাণিত কৰে। ঘৃত, সোম আৰু পুৰোডাশেৰে নিৰ্মিত আহুতিকো ঘৃতাচী বুলি কোৱা হয়। কাত্যায়ন, লাট্যায়ন, আশ্বলায়ন তথা শাংখ্যায়ন আদি শ্ৰৌতসূত্ৰ সমূহতো এই নদীৰ তীৰত সম্পন্ন হোৱা যজ্ঞ সমূহ অতি মহত্বপূৰ্ণ বুলি ঘোষণা কৰা হৈছে। বৈদিক সাহিত্যৰ মতে সৰস্বতীয়ে যজ্ঞক পোষণ কৰে। সৰস্বতী তথা দৃষদ্বতী নদীৰ তীৰত অনেক যজ্ঞ সমাপন কৰা হৈছিল। এই নদীয়ে ঐশ্বৰিক জলধাৰাৰে পৃথিৱী অভিমুখে গতি কৰিছিল আৰু এনেদৰে এই নদীয়ে বৈদিক ভাৰতীয় সকলকপ্ৰদান কৰিছিল উন্নতি তথা সমৃদ্ধি। সেয়েহে ঋগ্বেদত এই নৈ খনিক এজোপা আশ্ৰয় প্ৰদান কৰা গছৰ লগত তুলনা কৰা হৈছে। এই নদীক তীব্ৰবেগী ৰথৰ লগতো তুলনা কৰা হয়। এই নদীয়ে নিজ জলেৰে প্ৰজাসকলক পালন পোষণ কৰিছিল। তৈত্তিৰীয় ব্ৰাহ্মণত এই নদীক 'বৈশ্যাভ্যল্যা' বুলি কোৱা হৈছে। বিশ্ব অৰ্থাৎ প্ৰজাক পালন পোষণ কৰা স্বৰূপৰ বাবেই। তৈত্তিৰীয় সংহিতাতো একে অৰ্থতেই 'বসতীবাৰী' বুলি কোৱা হৈছে এই নদীক। বাজসনেয়ী সংহিতাৰ মতে ই নদী এসময়ত পৱিত্ৰ জলেৰে পৰিপূৰ্ণ আছিল। সেয়ে শতপথ ব্ৰাহ্মণত এই নদীক 'সদানীৰা' বুলি বৰ্ণনা কৰা হৈছে। এই ব্ৰাহ্মণৰ বৰ্ণনা অনুসৰি কৌশল আৰু বিধেয়- প্ৰাচীন ভাৰতৰ এই দুই ৰাজ্যৰ মাজেৰে প্ৰৱাহিতা হৈছে 'সদানীৰা'। এই নদীৰ পূৰ্ব দিশত বিধেয় আৰু পশ্চিম দিশত কৌশল দেশ আছিল। তৈত্তিৰীয় ব্ৰাহ্মণৰ মতে সৰস্বতী নদী বৈদিক যুগৰ সৰ্বপৱিত্ৰ নদী আছিল। এই নদীৰ জল প্ৰবাহ অতি তীব্ৰ আছিল যাৰ ফলত সেই নদীৰ তীৰস্থিত পৰ্বতো উভালি পৰিছিল। সেই বিশাল ভূভাগত এই নদীৰ জলৰ বাবে প্ৰায় প্ৰলয়সদৃশ দৃশ্যৰ সৃষ্টি হৈছিল। জনগণে সৰস্বতী নদীকস্তুতি কৰিছিল নদীৰ ত্ৰাসৰ পৰা মুক্ত কৰিবলৈ। ব্ৰাহ্মণ গ্ৰন্থসমূহৰ মতে সৰস্বতী নদীয়ে দৃষদ্বতী নদীৰ সৈতে লগলাগি ব্ৰহ্মাৱৰ্ত্তৰ দক্ষিণ সীমা নিৰ্দ্ধাৰণ কৰিছিল। মনুৰ মতে এই দুই নদীয়ে মধ্যদেশৰ পশ্চিম সীমা গঠন কৰিছিল। দৃষদ্বতী সৰস্বতীৰ সহায়ক নদী। এই দুই নদীৰ মাজৰ ঠাই খিনিয়েই ব্ৰহ্মাৱৰ্ত্ত। ঋগ্বেদৰ মতে সৰস্বতী নদী সাগৰ অভিমুখী। বাজসনেয়ী সংহিতাৰ মতে পঞ্চনদী সৰস্বতী অভিমুখে প্ৰৱাহিত হৈছে। পতঞ্জলিৰ মহাভাষ্যত ইৰাৱৰ্তী, বিপাশা, বিতস্তা, চন্দ্ৰভাগা, অসিক্নী এই পাঁচনদীক পঞ্চনদী আখ্যা প্ৰদান কৰা হৈছে। সৰস্বতী নদীৰ উদ্ভৱস্থলক 'প্লক্ষ প্ৰসৱণ' বুলি কোৱা হৈছে, পঞ্চবিংশ ব্ৰাহ্মণ তথা জৈমিনীয় উপনিষদ ব্ৰাহ্মণত। কাত্যায়ন আৰু লাট্যায়ন শ্ৰৌতসমূহতো একে নামেৰেই খ্যাত এই ঠাইখিনিক ঋগ্বেদৰ সূত্ৰ গ্ৰন্থসমূহত 'প্লাক্ষ প্ৰসৱণ' বুলি কোৱা হৈছে। তাণ্ড্যব্ৰাহ্মণত কোৱা হৈছে যে সৰস্বতী নদীৰ উদ্ভৱ স্থল স্পষ্ট ৰূপত প্ৰতিভাত হয় আৰু যি অঞ্চলত সমুদ্ৰত বিলীন হৈছে সেই ভাগো স্পষ্টৰূপত প্ৰতীত হয়। কিন্তু মাজৰ ভাগ ভূমিৰ তলেৰে প্ৰৱাহিত হোৱাৰ বাবে দৃশ্যমান নহয়। সৰস্বতী নদীৰ হিমালয়ৰ শিৱালিক পাহাৰৰ পৰা উদ্ভৱ হৈ পাটিয়ালাৰ তলেৰে বৈ গৈ ৰাজপুতনাৰ মৰুস্থলৰ উত্তৰ ভাগত বিলুপ্ত হৈছে। ব্ৰাহ্মণ গ্ৰন্থসমূহত এই ঠাইকেই 'বিনাশন' বুলি কোৱা হৈছে। অশ্বগতিৰে যাত্ৰা কৰিলে প্লক্ষ প্ৰসৱন আৰু বিনাশনৰ মাজৰ দূৰত্ব চৌৱাল্লিশ দিনৰ। ব্ৰাহ্মণ কালত এই নদীৰ জল লাহে লাহে শুকাই গৈছিল আৰু কোনো কোনো ঠাইত অদৃশ্যও হৈ পৰিছিল। সৰস্বতী নদী তিনিবাৰ লুপ্ত হৈ তিনিবাৰ প্ৰাদুৰ্ভাৱ হৈছিল। তাণ্ড্য মহাব্ৰাহ্মণত তাকেই 'ত্ৰিপ্লক্ষ' বুলি উল্লেখ কৰা হৈছে। মহাভাৰতৰ তথ্যৰ পৰাও এই কথাকেই প্ৰতিভাত হয়। এইনদীৰ প্ৰাদুৰ্ভাৱৰ তিনিস্থানক ক্ৰমে চমসোদভেদ, শিৰোদভেদ আৰু নাগোদভেদ বুলি জনা যায়। সৰস্বতী নদীৰ বিলুপ্তি তথা পুনঃ উদ্ভৱৰ তথ্য জৈমিনীয় আৰু আশ্বলায়ন শ্ৰৌতসূত্ৰতো উপলব্ধ। অধুনালুপ্ত সৰস্বতী নদীৰ তীৰতেই সূচনা হৈছিল কৃষিৰ ইতিহাসৰো। ব্ৰাহ্মণ গ্ৰন্থ সমূহৰ মতানুসাৰে সৰস্বতীৰ পাৰতেই বৈদিক সমাজে প্ৰাৰম্ভ কৰিছিল কৃষিৰো। যুগৰ প্ৰাৰম্ভতে সৰস্বতী নদীৰ মধুৰ জলেৰে কৃষিকৰ্মৰ পাতনি মেলিছিল। সেই কৃষিকৰ্মত ইন্দ্ৰ আছিল হলপতি তথা মৰুতগণ আছিল কৃষক। প্ৰাচীন কালত ভয়ংকৰ বনজুয়ে অতিক্ৰম কৰিব নোৱাৰিলে সৰস্বতীনদীৰ বিস্তীৰ্ণ তীৰ। এই বনজুইৰ পাছত এই নদীৰ পাৰৰ কৌশল আৰু বিধেয়হে নিবাসযোগ্য স্থান হিচাপে অৱশেষ থাকিল। মহাকবি কালিদাসেও ভাৰতবৰ্ষৰ অন্যান্য নদীসমূহৰ লগতে সৰস্বতী নদীৰ বৰ্ণনা কৰিছে। মহাকবিজনাৰ মতে এই নদী পৃথিৱীৰ তলেৰে প্ৰৱাহিত হৈ সাগৰত বিলীন হৈছেগৈ। বৰ্তমান এই নদীৰ লুপ্তাধাৰা গংগা-যমুনাৰ সতে এলাহাবাদৰ ত্ৰিবেণী সংগমত মিলিত হৈছে বুলি জনা যায়। এই কথা স্মৰ্তব্য যে লুপ্তা হোৱাৰ পাছতো কোনো দিনেই ম্লান হোৱা নাই এই বৈদিক জলধাৰাৰ মহত্বও গুৰুত্ব। এই প্ৰসংগতে মহাকবিজনাৰ ৰঘুবংশম্ মহাকাব্যত উপলব্ধ আমাৰ লৌহিত্য অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ নামো এই খিনিতে সংযোগ কৰা হল। অমৰ কবি কালিদাসৰ মতে লৌহিত্যই নিৰ্দ্ধাৰণ কৰিছিল প্ৰাগজ্যোতিষপুৰৰ দক্ষিণ সীমা। গোদাৱৰী, কাৱেৰী, কৃষ্ণা নদীৰ জলো পৱিত্ৰ বুলি গণ্য কৰা হৈছিল। আহক আমি ভাৰতবাসীয়ে সগৌৰৱে জীয়াই ৰাখো নদী উপত্যকাৰ সভ্যতাৰ লগতে নদীসমূহকো।

তথ্যসূত্ৰঃ

1.The Indian Mother Goddess - N.N.Bhattacharya
2. The Religion and Philosophy of the Veda and Upanisada - A.B. Keith
3. Sarasvati In Sanskrit literature - I.Khan
4.Vedic Index of Names and Subjects-Vol.I andII-A Macdonald andA.B. Keith
5. From the Vedas to the Manu-Samhita, A cultural study- V.B.Mishra
6. The Students' Sanskrit - English Dictionary - V.S. Apte

# নীলমণি ফুকনৰ কবিতাত

তাৰে ইংগিত দিয়ে। ফুকনে আশীৰ দশকৰ আগলৈকে প্ৰকাশিত সংকলনকেইখনৰ কবিতাবোৰত চিত্ৰকল্প আৰু প্ৰতীকবাদৰ আঁৰত পশ্চিমীয়া চিত্ৰকলা, বিশেষকৈ পৰবাস্তৱবাদী আন্দোলনৰ প্ৰভাৱৰ কথা স্বীকাৰ কৰিছে। তাৰ আগত মনচ্ছায়াবাদী চিত্ৰকৰসকলৰ নিসৰ্গ চেতনায়ো তেওঁৰ কবিতাৰ প্ৰকৃতি-চেতনাক সঞ্জীৱিত কৰিছে। অৱশ্যে পাছলৈ তেওঁৰ কবিতাৰ অৰ্থঘনত্ব, ভাষা আৰু প্ৰকাশভংগীৰ যথাৰ্থতা আৰু বিশেষকৈ বোধৰ দৃঢ়পিনদ্ধতা-চীনা আৰু জাপানী কবিতাৰ ঐতিহ্যই যেন সমৃদ্ধ কৰিছে।' পঞ্চাশৰ দশকৰ কবিতাক তেওঁ জীৱন অংশ হিচাপে লৈ বৌদ্ধিক জগতখনত এটা নিজস্ব দৃষ্টিভংগীৰে আগুৱাই যায়। কবিতাত তেওঁ বিচাৰে জীৱনৰ নৈৰ্ব্যক্তিকতা, বিচাৰে সামাজিক উদ্দীপনা। তেওঁ ব্যক্তি জীৱনৰ আৰ্তি নিবিচাৰে। সামাজিক স্বৰূপ উদ্ভাষিত কৰাৰ তাড়নাই কবিক আত্মবিভোৰ নকৰে। সৃজনশীলতাৰ তন্ময়তাত তেওঁৰ দুখ অথবা আনন্দ থাকে। কিন্তু সেই সমাহাৰৰ মাজত থাকে আত্মপ্ৰকাশৰ হাবিয়াস। এগৰাকী কবি সমাজৰ পৰা বিছিন্ন হ'ব নোৱাৰে। জীৱনৰ প্ৰগলভতাত কবি থমকি নৰয়। ইতিহাসৰ আহবানে কবিক লৈ যায় দিগন্তমুখী চেতনালৈ। 'বুৰঞ্জী' নামৰ কবিতাটোত কবিয়ে কৈছে-'জুই জ্বলি থকা এখন অৰণ্যৰ কাষেদি আমি দুয়ো নাৱেৰে গৈ আছিলোঁ। কুঁৱলীৰ দৰে ধোঁৱাৰ সাগৰত সাঁতুৰি-সাঁতুৰি চৰাইবোৰে জাকে-জাকে উৰি গৈছিল, লানি নিছিগাকৈ পানীত উটি অহা দেখিছিলোঁ। সিহঁতলৈ আমাৰ কিন্তু বৰ মৰম লাগিছিল।' কবিতাটোৰ ভাবাৰ্থ অতি চিত্ৰাকৰ্ষক। মানুহৰ জীৱন পৰিক্ৰমা অন্তহীন। জীৱনবোধক আঁকোৱালি ল'ব পাৰিলেই লক্ষ্যই প্ৰতিনিয়ত দেখুৱাই যায় সন্মুখ দৃষ্টি। প্ৰকৃতিৰ মাজেৰে কবিয়ে সেই সেউজ স্বপ্নক অৱলোকন কৰিব বিচাৰিছে। কবিয়ে সৃজনশীল চেতন্যৰ সৈতে অম্বিক কৰিবলৈ প্ৰয়াস কৰে। মানুহৰ জীৱন যুঁজ অপ্ৰতিহত। ধ্বংসৰ মাজত থাকে সৃষ্টিৰ সম্ভাৱনা। কবিয়ে ধ্বংসৰ মাজত মানৱতাবিহীনতাৰ ছবি এখন তুলি ধৰিবলৈ কৈছে-'দিনৰ ধ্বংস স্তূপত নিৰ্জনতা ৰাতিৰ শৰীৰ স্বপ্ন দংশনত ক্ষত, নিঃসংগ আহত সৈনিক হাতৰ মুঠিত ভগ্ন কৃপাণ। কোনো কবিয়ে নিঃসংগ দ্বীপৰ বাসিন্দা নহয়, তেজ মঙহৰ মানুহ। সমাজপ্ৰিয়তাই কবিৰ উদ্দীপনা। অৱকুণ্ঠিত সময় জীণ নিয়াই কবিয়ে আত্ম উত্তৰণৰ প্ৰয়াস কৰে। মনৰ ভাবনা আৰু কল্পনাৰ শিহৰিত শক্তিৰে সমস্ত সৃষ্টিত অৱগাহন কৰে। ফুকনে কৈছে-'কবিও এজন নিৰ্যাতিত মানুহ। অত্যন্ত গোপনে চলে তেওঁৰ ওপৰত নিৰ্যাতন। নিজে নিজক কৰে নে আন কোনোবাই কৰে তেওঁক এই নিৰ্যাতন, বা তেওঁ লিখা বা নিলিখা শব্দ আৰু কবিতাবোৰে বাৰে বাৰে তেওঁক কৰে এই নিৰ্যাতন। কি নিৰ্যাতনৰ মাজেৰে তেওঁ প্ৰতিটো জোনাক নিশা, প্ৰতিটো বৰ্ষা আৰু শীত-বসন্তৰ নিশা কটায়। তেওঁৰো পূৰ্বপুৰুষো আছিল তেওঁৰ দৰে নিৰ্যাতিত বিদ্ৰোহী আৰু প্ৰেমিকৰ একোটা ৰক্তাক্ত শৰীৰ। তেওঁৰ যি আছিল এতিয়া সকলো জ্বলি জ্বলি শেষ। কেৱল নিৰ্যাতনৰ বাহিৰে। মৰিশালিখনত ফুলি থকা কাইপাহমান তিলফুলৰ বাহিৰে।'

নীলমণি ফুকনে কবিতাৰ মাধ্যমেৰে জীৱন জিজ্ঞাসা, অন্তৰাত্মাৰ অনুকৰণ, কল্পনা শক্তিৰ অনন্য স্বৰূপ, জীৱন-দৰ্শনৰ সামাজিক ৰূপ আৰু কলাত্মক ক্ষেত্ৰখনত বিচৰণ কৰা চেতনা পৰিষ্কাৰভাৱে তুলি ধৰাত সমৰ্থ হৈছে। কবিয়ে ইতিহাসৰ পৰা বিচ্ছিন্ন নহৈ মানুহক এনে এক সন্ধিক্ষণলৈ নিব বিচাৰিছে যে য'ত জীৱন আৰু আশা স্পন্দিত হৈ উঠিছে। কবিয়ে জীৱনৰ এক অৰ্বিচিণীয় ৰূপ প্ৰকাশ কৰিছে। সহজ-সৰলবোধৰ মাজত থকা জীৱনমুখী চেতনাক আধুনিকবোধেৰে সংযোজন কৰিছিল।

কবিৰ দৃষ্টিত গাঁৱত লুকাই থকা আত্মা মানৱীয় অনুভূতিৰে পূৰ্ণ, প্ৰকৃতিৰ বিমল সুৰভিৰ মাজত জীৱনৰ বাংময়তা লুকাই থাকে। এয়া সম্ভৱ হৈছে গভীৰ অন্তৰদৃষ্টি আৰু মূৰ্ত চেতনাৰ বহিৰ্প্ৰকাশৰ বাবে। ফুকনে বিশ্বসাহিত্যৰ যি চেতনাস্ৰোত তাক সম্প্ৰৰীক্ষা কৰি অসমীয়া কবিতাক এটা নতুন স্তৰত উপনীত কৰোৱায়। ফুকনে এজন কবিক মানবীয় সত্তাৰ পৰা সুকীয়াকৈ বিশ্লেষণ কৰিব বিচৰা নাই। সাধাৰণ মানুহৰ দৰে কবি এগৰাকী সামগ্ৰিক পৃথিৱীৰে প্ৰতিনিধি। কিন্তু কবিৰ মনত যি চেতনাই গা কৰে, সেই চেতনা সৃষ্টিশীলতাত অনুপম শৈলীলৈ ৰূপান্তৰিত হয়। 'সূৰ্য হেনো নামি আহে এই নদীয়েদি' নামৰ গ্ৰন্থখনত প্ৰকাশিত কবিতাসমূহত প্ৰকৃতিৰ কোলাত লালিত পালিত মানুহৰ যি চেতনা আৰু জীৱনমুখী ভাবনা তাক মূৰ্ত কৰিছে। সোণোৱালী সপোনে কবিক জীয়াই থাকিবলৈ প্ৰেৰণা যোগায়। মানুহৰ হৃদয় এটি ক্লান্ত নিৰ্জন ভগ্ন বন্দৰ। কুঁৱলীময়। কিন্তু ৰৌদ্ৰস্নাতা বৰফৰ দৰে সমাহিত। 'নিৰ্জনতাৰ শব্দ' কাব্যগ্ৰন্থখনত কবিৰ অভিজ্ঞতাই মনঃস্তাত্বিক ৰূপ লয়। কবিৰ 'কাঁইট আৰু গোলাপ আৰু কাঁইট', 'গোলাপী জামুৰ লগ্ন', 'কবিতা', 'নৃত্যৰত পৃথিৱী' 'অলপ আগতে আমি কি কথা পাতি আছিলোঁ', 'সম্পূৰ্ণ কবিতা' গ্ৰন্থত সন্নিৱিষ্ট কবিতাবোৰ মননশীল, তীব্ৰ ভাবাৱেগ আৰু ভিন্নমুখী চিন্তাৰ এক বিচিত্ৰ প্ৰকাশ। কবিয়ে ব্যক্তি জীৱনৰ অন্তহীন কাব্যিক সুধাৰ মাজত সমাজ জীৱনৰ অপৰিপূৰ্ণতাক একত্ৰিত কৰিছে। কবিয়ে কল্পনাৰ সেই আকাশলংঘীতাৰ বিপৰীতে আত্মদৰ্শন অথবা সামাজিক দৰ্শনৰ মাজত নিহিত থকা অনুভূতিক কাব্যিক উপমা, চেতনা আৰু নৈব্যক্তিকতাৰে এক বিপুল সম্ভাৱনীয়তাৰ দিশলৈ লৈ গৈছে। অনুভৱেই কবিৰ সৃজনশীলতাৰ শক্তিশালী অস্ত্ৰ। কাব্যৰ মাধ্যমেৰে তাক উজ্জীৱিত কৰি শৈল্পিক ৰূপদান কৰিছে। প্ৰকাশভংগীৰ গতিশীলতা হৈছে ফুকনৰ কবিতাৰ এক অনন্য বৈশিষ্ট্যঞ্জয়। অসমৰ লোককলা আৰু ভাস্কৰ্যৰ নিৰন্তৰ অন্বেষণে কবিৰ শিল্পী প্ৰাণক সজীৱ কৰি ৰাখে। এইগৰাকী কবিয়ে লাভ কৰা জ্ঞানপীঠ বঁটাই অসমৰ নতুন প্ৰজন্মক সদায়ে উদ্দীপনা যোগাই যাব।

# মানুহ হ' মানুহ হ'



**সংগ্ৰহ- যোগেশ্বৰ গোস্বামী**

(১)

মানুহ হ' মানুহ হ'
কথাই-কামে, চিন্তা-ভাবে
সাজে-কাছে মানুহ হ'
মানুহ যদি নোৱাৰ হ'ব
বাঘ নহবি শগুন হ'
বাঘ হলে তই নিৰীহ জীৱক
হত্যা কৰি ৰক্তপি
গোটেইখনক আৰ্তনাদৰ
বিভীষিকাত বুৰাই দি
বতাহৰ গাত গেলা-পচাৰ
বিহ-বাষ্প উদ্‌গাৰি
জীয়াৰ আশাত বৰ্তি থকা
স্বাস্থ্য-ধনৰ কণ মাৰি
আৰু কাৰ ক'ত ৰুধিৰ পিবি
লুকাই ৰবি নেজ পাৰি।
শগুণ হ'লে
মৰা-গেলাৰ গ্লানি
ঠোঁটত কোচাই ল'ই
পোনে পোনে পাখি মেলি
শূন্যত গ'ই থিতি হ'ই
আনন্দেৰে উৰি উৰি
ভাহি ভাহি ঘূৰি ঘূৰি
গেলা-পচাৰ স্বাস্থ্য হৰা
ৰোগ-বীজাণুৰ মূল তুলি
স্বস্তি লভি সুখ পাবি
নৰ-সমাজ ৰক্ষা হ'ল বুলি
মানুহ যদি নোৱাৰ হ'ব
বাঘ নহবি শগুণ হ'

(২)

শগুণো যদি নোৱাৰ হ'ব
কুলি নহবি কাউৰ হ'
কুলি হলে তই মুখত মিহি
প্ৰতাৰকৰ কুঁহু গাই
আনৰ অধিকাৰ লুটিবি
দগ্ধা-চোৰৰ কিটিপ চাহ
কাউৰ হ'লে তই
পুৱত বগা ফুট দিওঁতেই
বাহ এৰি,
ৰাতিৰ বাহী-পচা ঠুটাই
চোতাল-কাথি শুধ কৰি
কা-কা গাই ঘৰ-লখিমীক
ৰাতি পুওৱাৰ কথা ক'ই উৰি
যাবি
সেৱা কৰা মৰমৰ নিৰ্মালী ল'ই
মানুহ যদি নোৱাৰ হ'ব
কুলি নহবি কাউৰ হ'

(৩)

কাউৰো যদি নোৱাৰ হ'ব
শিয়াল নহবি কুকুৰ হ
শিয়াল হ'লে খোখা ভাঙি
হাঁহ-পাৰবোৰ চুৰ কৰিবি
কুকুৰ হ'লে চোৰ খেদি দি
গিৰিহঁতৰ ঘৰ ৰখিবি
নোৱাৰ যদি মানুহ হ'ব
শিয়াল নহবি কুকুৰ হ'

(৪)

কুকুৰো যদি নোৱাৰ হ'ব
সাপ নহবি কেঁচু হ'
সাপ হ'লে তই খেদি খাবি
হিংসাৰ বিহ-দাঁত বহাই
কেঁচু হলে উখৰা মাটিত
সাৰ যোগাবি ৰস জমাই
মানুহ যদি নোৱাৰ হ'ব
সাপ নহবি কেঁচু হ'

(৫)

সিও যদি নোৱাৰ হ'ব
জোক নহবি মাগুৰ হ'
জোক হ'লে তই
যাকে-তাকে মাৰিবি
তেজ চুহি খাই
মাগুৰ হ'লে ৰোগীৰ দেহত
শক্তি দিবি তেজ যোগাই
মানুহ হ মানুহ হ'
মানুহ যদি নোৱাৰ হ'ব
জোক নহবি মাগুৰ হ'

(৬)

মাগুৰ যদি নোৱাৰ হ'ব
ধূৰ্ত নহবি সৰল হ'
সিও যদি নোৱাৰ হ'ব
একো নহবি- কিবা হ।।

**(কবি: অম্বিকাগিৰী ৰায়চৌধুৰী)**

## ENGLISH NEWS SECTION

# SIGNING OF PETROLEUM MINING LEASE DEED BETWEEN 1) HINDUSTAN OIL EXPLORATION COMPANY LIMITED (HOEC), 2) OIL INDIA LIMITED, 3) INDIAN OIL CORPORATION LIMITED (ASSAM OIL DIVISION) AND GOVERNMENT OF ASSAM



**Guwahati, RB News:** Govt. of Assam has signed one (1) Petroleum Mining Lease block with 1) HINDUSTAN OIL EXPLORATION COMPANY LIMITED (HOEC), 2) OIL INDIA LIMITED 3) INDIAN OIL CORPORATION LIMITED (ASSAM OILDIVISION) (JOINT VENTURE) in the Presence of Sri Jogen Mohan, Honb'le Minister, Mines and Minerals Deptt.and others, Govt. of Assam, Sri Arpan Saikia ,ACS Secretary to Mines and Minerals , Deptt. Sri Pranjit Wary, ACS, Joint Secretary, to Mines and Minerals, Deptt. Sri Debasish Gupta , Resident Executive of HOEC Abhijit Buragohain, Chief General Manager from Oil India Ltd and K.Mohan General Manager, IOCL at the conference Hall of Office of The Directorate of Geology and Mining , Assam Dispur amidst a gathering of distinguished officials from State government, HOEC ,OIL,IOCL on 12 th May, 2022. Shri Ananda Kr. Das,ACS, Joint Secretary & Director (Geology & ; Mining), Government of Assam & Sri Debasis Gupta from HOEC, Abhijit Buragohain from OIL and K.Mohan from signed the deed on behalf of Govt. of Assam. Shri Jogen Mohan, Honb'le Minister, has assured that Assam Govt. would provide all possible support to HOEC, OIL, and IOCL in its quest of hydrocarbon .Honorable minister said that it will enhance revenue of the exchequer and will bring prosperity to the state. He emphases the need of nation's self-reliance in energy and economic growth of the country. Sri Debasis Gupta from HOEC , K.Mohan from IOCL and A. Buragohain from OIL expressed their sincere gratitude to the Hon'ble Minister , Senior Officers from the state government for their august presence and assurance on support towards falicitation of E&P activity of HOEC,IOCL and OIL ,they shall make sincere efforts to achieve higher level of excellence through concerted efforts & effective participation with all its stakeholders. The PML Block is Dirok (AAP-ON-94/1) Mining Lease measuring an area of 75.94 sq.km in Tinsukia district of Assam which was granted for 20 years w.e.f. 25.08.2017. Production is going on condensate and natural gas in this block. The royalty those collected from this block in 2021-2022 is 43.96 crores. Still now from 2017 govt.of Assam received royalty about Rs.180.00 crores. Assam Government is expected to receive total more than 450.00 crores from this block.

# Dhruba Prasad Baishya joins as Co-Vice-Chairman of SITA



Shri Dhruba Prasad Baishya joins today as Co-Vice-Chairman of the office of State Innovation & Transformation Aayog (SITA), Assam today at Janata Bhawan, Dispur in the presence of Hon'ble Vice-Chairman Ramen Deka. On his joining the office, Hon'ble Vice-Chairman Ramen Deka gave his best wishes to the new Co-Vice Chairman on his new venture. Later the new Co-Vice Chairman interacted with the officials of SITA and expresses his vision to take forward the role of SITA in an innovative technological manner and also to highlight the cultural aspects of the state.

# Extension prog by English dept of Pragjyotish College



The department of English, Pragjyo tish College started an extension programme under the lead ership of HOD Priyanka Sarmah, with the support and guid ance of Principal Dr Manoj Kumar Mahanta here today.““Under the programme, the students of the department would devote some of their time to the children of Pragati Primary School, Santipur every week, stated a press release.Pragati Primary School was adopted by Pragjyotish College in 2018 and the college has been giving special attention to the school and the needs of its students. The students of the Eng lish department with the help of their teachers have prepared a curriculum for the children of the school. The curriculum has four parts - games, singing and dancing, drawing, and academics. The academics part comprises storytell ing, poetry recitation and simple mathematics. This extension pro gramme has been taken up by the department to bring a change in the lives of the children and make them aware about better living.

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

৩১ বহাগ, ১৪২৭ চন Rongili Barta, Date of Publication-- 15 May, 2022

## Beauty of the Week



**Archita Goswami**

## Art of the Week



**Nabhanya Kaushik**

**Beauty of the Week Art of the Week**
**আৰু · Photography of the Week লৈ**
**আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক**
**E-mail-**
**rongilibartamedhi@gmail.com**
**Whatsapp - 9854215286**

# অক্ষয় তৃতীয়াৰ মহত্ব

**গিৰিমা গোস্বামী, গুৱাহাটী**




প্ৰকৃতাৰ্থে প্ৰতি মাহৰে শুক্লপক্ষৰ তৃতীয়া তিথিটো পবিত্ৰ দিন ।

পুৰান অনুসৰি বহাগ মাহৰ শুক্লপক্ষৰ তৃতীয়া তিথিৰ বিশয মহত্ব আছে আৰু পবিত্ৰ দিন বুলি মনা হয়। এই তিথিটোত বহুতো উল্লেখযোগ্য ঘটনাৰ উত্থান পতন হৈছিল ।

আমাৰ সকলোৰে মনত সাধাৰণতে অক্ষয় তৃতীয়া বুলিলে সোণ- ৰূপৰ অলঙ্কাৰ বা বস্তু কিনিব লাগে এই ধাৰণাটো উদয় হয়।

প্ৰকৃততে অক্ষয় তৃতীয়ানো কি, কিয় অক্ষয় তৃতীয়া কোৱা হয় সেই বিষয়ে অলপ জানিবলৈ চেষ্টা কৰোঁচোন আহঁক-

বহাগ মাহৰ শুক্লপক্ষৰ তৃতীয়া তিথিত ভগৱান বিষ্ণুৱে পৰশুৰাম ৰূপে জন্ম গ্ৰহণ কৰিছিল। এইদিনাই ভগৱান বিষ্ণুৱে নৰনাৰায়ন আৰু হয়গ্ৰীৱ মাধৱৰ ৰূপ ধাৰণ কৰিছিল।

এইদিনটোতে গুৰু বেদব্যাসে মহাভাৰত লিখিবলৈ আৰম্ভ কৰিছিল।

সত্যযুগৰ সমাপ্ত হৈ ত্ৰেতাযুগৰ আৰম্ভ, মহাভাৰতৰ যুদ্ধ সমাপ্ত, দ্বাপৰ যুগৰো সমাপ্ত হৈছিল। এইদিনাৰ পৰাই তীৰ্থস্থান বদ্ৰীনাথ মন্দিৰৰ দুৱাৰ দৰ্শনাৰ্থীৰ কাৰণে মুকলি কৰি দিয়া হয়।

অক্ষয় তৃতীয়াই এটা দিন যিদিনা বৃন্দাবনৰ "বাংকে বিহাৰী প্ৰভুৰ" চৰনযুগলৰ দৰ্শন হয়। বাকী গোটেই বছৰ বস্ত্ৰৰে ঢাকি ৰখা হয়। এইদিনটো যিহেতু পবিত্ৰ দিন সেইকাৰণে প্ৰবিত্ৰ দিনত মূল্যবান বস্তু ঘৰলৈ আনিলে ভাল বুলি ভবা হয়। সোণ-ৰূপ বহুত মূল্যবান ৰত্ন আৰু মালক্ষ্মী ভগৱতীৰো সোণ-ৰূপ অতিকৈ প্ৰিয় । সেইকাৰণেই অক্ষয় তৃতীয়াত সোণ-ৰূপ কিনিব লাগে বুলি কয়, কিন্তু এইটো কোনো নিয়ম নহয়। মুখে মুখে চলি অহা মানুহে নিজে পাতি লোৱা নিয়মহে।

এইদিনাৰ পৰাই বসন্ত ঋতুৰ সমাপ্ত হৈ গ্ৰীষ্ম ঋতুৰ আৰম্ভ হয়। এইদিনা নানান তৰহৰ বস্তু, বস্ত্ৰ, দান কৰা হয় আৰু দান-দক্ষিণাৰ যি পুণ্য সেই পুণ্য কোনো জনমতে শেষ নহয়। অক্ষয় তৃতীয়া দিনটো স্বয়ং সিদ্ধ দিন। এইদিনটোত যিকোনো সময়তে পুজা- পাৰ্বন, বিবাহ, যিকোনো শুভ কাম কৰিব পাৰে।

মানৱসেৱা এইদিনটোৰ বিশেষ মহত্ব আছে। মানৱ সেৱাই হৈছে "ভগৱান সেৱা"। সেইকাৰণে এইদিনটোত যিমান পাৰে সাধ্য অনুসাৰে দুখীয়া-দৰিদ্ৰক সহায় কৰিব লাগে। ভোকাতোৰ আৰ্ত্তজনক খুৱাব লাগে। এইদিনা এবটল পানীও যদি পথচাৰীক দিব পাৰে বহুত পুণ্য হয় আৰু এই পুণ্যৰ ফল পৰিনামে জনমে জনমে লাভ কৰিবলৈ সক্ষম হয়। এইদিনটোতে ৰজা ভগীৰথে পূৰ্বপুৰুষৰ উদ্ধাৰৰ অৰ্থে "মা গঙ্গাক" পৃথিৱীলোকলৈ আনিছিল বুলি প্ৰবাদ আছে আৰু, সেইকাৰণে এই তিথিত পূৰ্ব-পুৰুষৰ উদ্দেশ্যে একলোটা পানী অৰ্পন কৰিলে বহুত পুণ্য হয়। এই পুণ্যৰ ফল কোনো জনমতে শেষ নহয়, অক্ষয় হৈ থাকে। ইমানখিনি উল্লেখযোগ্য মহত্বৰ কাৰণেই "বহাগ মাহৰ শুক্লপক্ষৰ তৃতীয়া তিথিক অক্ষয় তৃতীয়া"বোলা হয়। যাৰ কোনো অন্ত নাই।

**(প্ৰচাৰ মাধ্যমৰ সহায় লৈ লিখা)**

## Photography of the Week




**Raktim Jyoti Das**

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286